रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

**असाधारण**
**EXTRA ORDINARY**
**অসাধাৰণ**

**भाग VI - अनुभाग 1**
**PART VI - Section 1**
**ভাগ ৬ - অনুভাগ ১**

**प्राधिकार से प्रकाशित**
PUBLISHED BY AUTHORITY
**প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত**

**No. 1.] NEW DELHI, 24 DAY, MARCH 2014, 9 CHATRA, 1936, (SAKA) [Vol : 8**
**নং ১ ] নতুন দিল্লী, ২৪ দিন, মাৰ্চ ২০১৪, ৯ চ'ত, ১৯৩৬ (শক) [খণ্ড ঃ ৮**

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি আৰু ন্যায় মন্ত্ৰালয়
( বিধান বিভাগ )

নতুন দিল্লী, ১৬ আগষ্ট, ২০১৩ /২৫ শাওন, ১৯৩৫ (শক)

(১) দি এডভ'কেট্‌চ ওৱেল-ফেয়াৰ ফাণ্ড এক্ট, ২০০১ (২০০১ৰ ৪৫)
(২) দি প্ৰ'টেক্‌শ্বন অভ প্লেণ্ট ভেৰাইটিচ এণ্ড ফাৰ্মাৰচ্‌ ৰাইট্‌চ এক্ট, ২০০১ (২০০১ৰ ৫৩)
(৩) দি হজ কমিটি এক্ট, ২০০২ (২০০২ৰ ৩৫)
(৪) দি বায়'লজিকেল ডাইভাৰ্চিটি এক্ট, ২০০২ (২০০৩ ৰ ১৮)
(৫) দি প্ৰ'তেক্‌শ্বন অভ ৱ'মেন ফ্ৰম ডমেচটিক ভায়অ'লেঞ্চ এক্ট, ২০০৫ (২০০৫ৰ ৪৩)
(৬) দি ডিজেচ্‌টাৰ মেনেজ্‌মেণ্ট এক্ট, ২০০৫ (২০০৫ৰ ৫৩)

নিম্নলিখিত অসমীয়া অনুবাদ এত দ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধিসমূহ) অধিনিয়ম, ১৯৭৩ ( ১৯৭৩ৰ ৫০ )ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব ।

# MINISTRY OF LAW AND JUSTICE

(Legislative Department)

New Delhi, Dated the 16th August, 2013/25, Sawan, 1935 (SAKA)
The Translations in Assamese of the following namely : -

1. The Advocates' Welfare Fund Ad, 2001(N0. 45 of 2001).
2. The Protection of Plant Varieties And Earmer's Right Act, 2001. (No. 53 of 2001)
3. The Haj Committee Act, 2002. (Act. No 35 of 2002)
4. The Biological Diversity Act, 2002. (Act No. 18 of 2003)
5. The Protection of Women from Domestic Violence Act, 2005 (Act No. 43 of 2005)
6. The Disaster Management Act, 2005. (No. 53 of 2005)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts ( Central laws ) Act, 1973 ( 50 of 1973 ).

# বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫
## (২০০৫ৰ সংখ্যা ৫৩)

[২৩ ডিচেম্বৰ, ২০০৫]

**বিপৰ্য্যয়ীসকলৰ প্ৰভাৱী ব্যৱস্থাপনৰ বাবে আৰু তাৰ সৈতে সম্পৰ্কিত বা তাৰ আনুষঙ্গিক হোৱা বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।**

**ভাৰত গণৰাজ্যৰ ষষ্ঠ পঞ্চাশৎবৰ্ষত সংসদৰ দ্বাৰা নিম্নানুসাৰে ইয়াক অধিনিয়মিত কৰা হওঁকঃ—**

### অধ্যায়-I
### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।

১। (১) এই অধিনিয়মখন, বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫ নামেৰে অভিহিত হ'ব।

(২) ই সমগ্ৰ ভাৰতবৰ্ষতে বিস্তৃত।

(৩) ই, এনে তাৰিখত বলবৎ হ'ব যিদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে; আৰু এই অধিয়নিয়মৰ বিভিন্ন উপৰন্ধাৱলীৰ বাবে আৰু বিভিন্ন ৰাজ্যৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে, আৰু কোনো ৰাজ্যৰ সম্বন্ধত এই অধিনিয়মৰ কোনো উপৰন্ধৰ প্ৰাৰম্ভণত থকা কোনো প্ৰসঙ্গ নিৰ্দ্দেশ, সেই ৰাজ্যত সেই উপৰন্ধৰ প্ৰাৰম্ভণত থকা এটা প্ৰসংঙ্গ নিৰ্দ্দেশৰূপে অৰ্থ হ'ব।

পৰিভাষা।

২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহ'লে—

(ক) "প্ৰভাৱিত অঞ্চল" মানে এটা বিপৰ্য্যয়ৰ দ্বাৰা প্ৰভাৱিত এখন দেশৰ এটা অঞ্চল বা ভাগ;

(খ) "সামৰ্থ্য-নিৰ্মাণে" নিম্নলিখিতবোৰ অন্তৰ্ভুক্ত কৰে—

(I) বিদ্যমান উৎসসমূহ আৰু অৰ্জিত বা সৃষ্টি কৰিবলগীয়া উৎসসমূহৰ চিনাক্তকৰণ;

(II) উপ-খণ্ড (I) ৰ অধীনত চিনাক্ত হোৱা উৎসসমূহৰ অধিগ্ৰহণ আৰু সৃষ্টিকৰণ;

(III) কৰ্মীৰ সংগঠন আৰু প্ৰশিক্ষণ আৰু বিপৰ্য্যয়ীসকলৰ ফলদায়ক ব্যৱস্থাপনৰ বাবে এনে প্ৰশিক্ষণৰ সমন্বয়;

(গ) "কেন্দ্ৰীয় চৰকাৰ" মানে বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰশাসনিক নিয়ন্ত্ৰণ থকা ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগ;

(ঘ) "বিপৰ্য্যয়" মানে প্ৰকৃতিৰ পৰা বা মানুহে কৰা কাৰণৰ দ্বাৰা বা দুৰ্ঘটনা বা অৱহেলাৰ দ্বাৰা উদ্ভৱ হোৱা কোনো অঞ্চলত সংঘটিত হোৱা দুৰ্যোগ অঞ্চলৰ, দুৰ্দশা বা বিধ্বংস যাৰ পৰিণামত জীৱনৰ পৰ্য্যাপ্ত হানি বা মানৱ যাতনা বা সম্পত্তিৰ হানি আৰু ধ্বংস বা পৰিবেশৰ হানি বা অৱমূল্যন হয়, আৰু যিটো প্ৰভাৱিত অঞ্চলৰ সম্প্ৰদায়ৰ সমকক্ষ হোৱা সামৰ্থ্যৰ বাহিৰৰ বিষয়ত এনে প্ৰকৃতিৰ বা বিশালতাৰ হয়;

(ঙ) "বিপৰ্য্যয় ব্যৱস্থাপন" মানে পৰিকল্পনা, সংগঠন, সমন্বয় আৰু কাৰ্য্যকৰী ব্যৱস্থাৰ নিৰন্তৰ আৰু অখণ্ড প্ৰক্ৰিয়া, যিবোৰ নিম্ন লিখিতসমূহৰ বাবে আৱশ্যকীয় বা সমীচীন হয়—

(I) কোনো বিপৰ্য্যয়ৰ বিপদ বা ভীতি প্ৰদৰ্শনৰ বাৰণ;

(II) কোনো বিপৰ্য্যয়ৰ বিপদাশংকা বা ইয়াৰ প্ৰাবল্য বা পৰিণামৰ উপশম বা হ্ৰাসকৰণ;

(III) সামৰ্থ্য-নিৰ্মাণ;

(IV) কোনো বিপৰ্য্যয়ৰ আলোচনা কৰিবলৈ প্ৰস্তুতি;

(V) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়লৈ দ্ৰুত সঁহাৰি দিয়া;

(VI) কোনো বিপৰ্য্যয়ৰ পৰিণামৰ প্ৰবলতা বা প্ৰসাৰতা নিৰ্ধাৰণ কৰা;

(VII) নিষ্ক্ৰমণ, উদ্ধাৰ আৰু সাহায্য;

(VIII) পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণ;

(চ) "জিলা প্ৰাধিকাৰী" মানে ধাৰা ২৫ৰ উপধাৰা (১)ৰ অধীনত গঠিত জিলা বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ;

(ছ) "জিলা পৰিকল্পনা" মানে ধাৰা ৩১ৰ অধীনত প্ৰস্তুতিত জিলা ব্যৱস্থাপনৰ বাবে কৰা পৰিকল্পনা;

(জ) "স্থানীয় প্ৰাধিকাৰে" পঞ্চায়তীৰাজ সংস্থা, নগৰপালিকা, এখন জিলা বোৰ্ড, সেনানিবাস বোৰ্ড, নগৰ পৰিকল্পনা প্ৰাধিকাৰ বা জিলা পৰিষদ বা এটা বিনিৰ্দ্দিষ্ট স্থানীয় এলেকাৰ ভিতৰত নাগৰিক সেৱাৰ অত্যাৱশ্যকীয় সেৱা প্ৰদানৰ বাবে বা নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনসহ, বিধিৰ দ্বাৰা তৎসময় বিনিয়োগ কৰা, যি নামেৰেই অভিহিত হওঁক কোনো আন নিকায় বা প্ৰাধিকাৰক অন্তৰ্ভুক্ত কৰে;

(ঝ) "উপশম" মানে এটা বিপৰ্য্যয় বা ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থাৰ বিপদাশংকা, ফল বা পৰিণামৰ হ্ৰাসকৰণত লক্ষ্য ৰখা ব্যৱস্থাসমূহ;

(ঞ) "ৰাষ্ট্ৰীয় প্ৰাধিকাৰ" মানে ধাৰা ৩ ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ;

(ট) "ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি' মানে ধাৰা ৮ৰ উপ-ধাৰা (১)ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ কাৰ্য্যনিৰ্বাহক সমিতি;

(ঠ) "ৰাষ্ট্ৰীয় পৰিকল্পনা" মানে ধাৰা ১১ৰ অধীনত সমগ্ৰ ৰাজ্যৰ বিপৰ্য্যয় ব্যৱস্থাপনাৰ বাবে প্ৰস্তুত কৰা পৰিকল্পনা;

(ড) "প্ৰস্তুতি" মানে ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয় আৰু তাৰ পৰিণাম আলোচনা কৰিবলৈ সাজু হোৱা অৱস্থা;

(ঢ) "বিহিত মানে" এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত;

(ণ) "পুনৰ নিৰ্মাণ" মানে এটা বিপৰ্য্যয়ৰ পিচত কোনো সম্পত্তিৰ নিৰ্মাণ বা প্ৰত্যাৰ্বতন;

(ত) "উৎস"ই জনশক্তি, সেৱা, বিষ সামগ্ৰী আৰু উপৰন্ধাৱলীক অন্তৰ্ভুক্ত কৰে;

(থ) "ৰাজ্যিক প্ৰাধিকাৰ" মানে ধাৰা ১৪ৰ উপ-ধাৰা (১)ৰ অধীনত স্থাপিত ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ আৰু ই, সেই ধাৰাৰ অধীনত গঠিত সংঘ ৰাজ্যক্ষেত্ৰৰ বাবে বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰক অন্তৰ্ভুক্ত কৰে;

(দ) "ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি" মানে ধাৰা ২০ৰ উপ-ধাৰা (১)ৰ অধীনত গঠিত এখন ৰাজ্যিক প্ৰাধিকাৰীৰ কাৰ্য্যনিৰ্বাহক সমিতি;

(ধ) "ৰাজ্য চৰকাৰ" মানে বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰশাসনিক নিয়ন্ত্ৰণ থকা ৰাজ্যৰ চৰকাৰী বিভাগ আৰু ই সংবিধানৰ অনুচ্ছেদ ২৩৯ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত সংঘ ৰাজ্যক্ষেত্ৰৰ প্ৰশাসকক অন্তৰ্ভুক্ত কৰে;

(ন) "ৰাজ্যিক পৰিকল্পনা" মানে ধাৰা ২৩ৰ অধীনত সমগ্ৰ ৰাজ্যৰ বিপৰ্য্যয় ব্যৱস্থাপনাৰ বাবে প্ৰস্তুত কৰা পৰিকল্পনা।

## অধ্যায়-II
## ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ

ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰৰ স্থাপন।

৩। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত, এইমৰ্ম্মে নিয়ত কৰা দৰে এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ নামেৰে অভিহিত এটা প্ৰাধিকাৰ স্থাপন কৰিব।

(২) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এজন অধ্যক্ষ আৰু ন জনৰ অনধিক এনে সংখ্যক আন সদস্যৰে গঠিত হ'ব আৰু যদিহে নিয়মাৱলীয়ে অন্যথা উপবন্ধ নকৰে, ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, নিম্নলিখিতসমূহেৰে গঠন কৰিব ঃ—

(ক) ভাৰতৰ প্ৰধানমন্ত্ৰী, যিজন ৰাষ্ট্ৰীয় প্ৰাধিকাৰীৰ পদেন অধ্যক্ষ হ'ব;

(খ) ন জনৰ অনধিক আন সদস্যসমূহক ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষৰ দ্বাৰা মনোনীত কৰা হ'ব।

(৩) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষই, উপ-ধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত মনোনীত সদস্যসকলৰ এজনক ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ উপাধ্যক্ষ হ'বলৈ পদাভিহিত কৰিব পাৰে।

(৪) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ সদস্যসমূহৰ সেৱাৰ পদাৱধি আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ বৈঠক।

৪। (১) ৰাষ্ট্ৰীয় প্ৰাধিকাৰে যিদৰে আৰু যেতিয়া আৱশ্যক হয় আৰু এনে সময়ত আৰু স্থানত মিলিত হ'ব যিদৰে ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষই উচিত বুলি ভাবে।

(২) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষই, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ বৈঠকসমূহত সভাপতিত্ব কৰিব।

(৩) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষজনে যদিহে কোনো কাৰণৰ বাবে ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ কোনো বৈঠকত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ উপাধ্যক্ষই বৈঠকত সভাপতিত্ব কৰিব।

ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীৰ নিযুক্তি।

৫। কেন্দ্ৰীয় চৰকাৰে, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ কৃত্যসমূহ কাৰ্য্যান্বিত কৰিবলৈ ই আৱশ্যক বিবেচনা কৰা দৰে এনে পদাধিকাৰী, পৰামৰ্শদাতা আৰু কৰ্ম্মচাৰীবৃন্দৰ উপবন্ধ কৰিব।

ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ ক্ষমতা আৰু কৃত্য।

৬। (১) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ, বিপৰ্য্যয়লৈ নিয়মিত আৰু প্ৰভাৱী সঁহাৰি সুনিশ্চিত কৰিবলৈ বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে আঁচনি, পৰিকল্পনা আৰু নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিবলৈ দায়িত্ব থাকিব।

(২) উপ-ধাৰা (১)ত অন্তৰ্বিষ্ট উপবন্ধালীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, ৰাষ্ট্ৰীয় প্ৰাধিকাৰীয়ে—

(ক) বিপৰ্য্যয় ব্যৱস্থাপনৰ ওপৰত পৰিকল্পনা প্ৰণয়ন কৰিব পাৰে;

(খ) ৰাষ্ট্ৰীয় পৰিকল্পনা অনুমোদন কৰিব পাৰে;

(গ) ৰাষ্ট্ৰীয় পৰিকল্পনা অনুসাৰে ভাৰত চৰকাৰৰ মন্ত্ৰালয় আৰু বিভাগসমূহৰ দ্বাৰা প্ৰস্তুত কৰা পৰিকল্পনাৰ অনুমোদন কৰিব পাৰে;

(ঘ) ৰাজ্যিক পৰিকল্পনাৰ আলেখ্যত ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(ঙ) বিপৰ্য্যয় প্ৰতিৰোধৰ বা তেওঁলোকৰ উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাত ইয়াৰ পৰিণামৰ উপশমৰ বাবে ব্যৱস্থাৰ একীকৰণৰ প্ৰয়োজনাৰ্থে ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় বা বিভাগবোৰৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(চ) বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে আঁচনি আৰু পৰিকল্পনাৰ বলৱৎকৰণ আৰু প্ৰয়োগৰ সমন্বয় কৰিব পাৰে;

(ছ) উপশমৰ প্ৰয়োজনাৰ্থে নিধিৰ উপবন্ধ অনুমোদন কৰিব পাৰে ;

(জ) গুৰুতৰ বিপৰ্য্যয়ৰ দ্বাৰা প্ৰভাৱিত আন দেশসমূহলৈ এনে সমৰ্থন উপবন্ধ কৰিব পাৰে যেনেদৰে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা হয়;

(ঝ) বিপৰ্য্যয় প্ৰতিৰোধ কৰিবলৈ বা ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থাৰ বা বিপৰ্য্যয়ৰ আলোচনাৰ বাবে উপশম বা প্ৰস্তুতি আৰু সামৰ্থ্য নিৰ্মাণৰ এনে আন ব্যৱস্থা গ্ৰহণ কৰিব পাৰে যেনেদৰে ই আৱশ্যক বিবেচনা কৰে;

(ঞ) বিপৰ্য্যয় ব্যৱস্থাপনৰ ৰাষ্ট্ৰীয় সংস্থাৰ কাৰ্য্যকৰণৰ বাবে বিস্তৃত আঁচনি আৰু নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে।

(৩) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ অধ্যক্ষৰ, জৰুৰী অৱস্থাত, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ ক্ষমতাৰ সকলো বা যিকোনোটোৰ প্ৰয়োগ কৰিবলৈ, ক্ষমতা থাকিব কিন্তু এনে ক্ষমতাৰ প্ৰয়োগ, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা পূৰ্বোক্তৰ অনুমোদন সাপেক্ষে হ'ব।

ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা উপদেষ্টা সমিতিৰ গঠন।

৭। (১) ৰাষ্ট্ৰীয় প্ৰাধিকাৰে বিপৰ্য্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ত দক্ষ ব্যক্তি আৰু বিপৰ্য্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ৰ ওপৰত চুপাৰিছ কৰিবলৈ ৰাষ্ট্ৰীয়, ৰাজ্যিক বা জিলা স্তৰত বিপৰ্য্যয় ব্যৱস্থাপনৰ ব্যৱহাৰিক অভিজ্ঞতা থকা ব্যক্তিৰে গঠিত এখন উপদেষ্টা সমিতি গঠন কৰিব পাৰে।

(২) উপদেষ্টা সমিতিৰ সদস্যসমূহক, ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ পৰামৰ্শত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ভাত্তা আদায় দিয়া হ'ব।

ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ গঠন।

৮। (১) কেন্দ্ৰীয় চৰকাৰে, ধাৰা ৩ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচনা জাৰিৰ পিছত শীঘ্ৰেই এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ সম্পাদনত ৰাষ্ট্ৰীয় প্ৰাধিকাৰক সহায়তা কৰিবলৈ এখন ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰিব।

(২) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিখন নিম্নলিখিত সদস্যসমূহেৰে গঠিত হ'ব, অৰ্থাৎ ঃ—

(ক) বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰশাসনিক নিয়ন্ত্ৰণ থকা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ দায়িত্বত থকা ভাৰত চৰকাৰৰ সচিবজন, পদেন অধ্যক্ষ হ'ব;

(খ) কৃষি, পাৰমাণৱিক শক্তি, প্ৰতিৰক্ষা, খোৱাপানী যোগান, পৰিবেশন আৰু বন, বিত্ত (খৰচ) স্বাস্থ্য, শক্তি, গ্ৰামোন্নয়ন, বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞান, মহাকাশ, দূৰসংযোগ, পৌৰ উন্নয়ন, জল উৎসৰ প্ৰশাসনিক নিয়ন্ত্ৰণ থকা মন্ত্ৰালয় বা বিভাগবোৰত ভাৰত চৰকাৰৰ সচিবসকল আৰু একীকৃত

প্ৰতিৰক্ষা কৰ্ম্মচাৰীৰ প্ৰধান আৰু কৰ্ম্মচাৰী সমিতিৰ প্ৰধানজন পদেন হ'ব।

(৩) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ অধ্যক্ষই, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ কোনো বৈঠকত অংশগ্ৰহণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো আন পদাধিকাৰীক আমন্ত্ৰণ কৰিব পাৰে আৰু ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ পৰামৰ্শত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ক্ষমতাৱলী প্ৰয়োগ আৰু এনে কৃত্যৰ সম্পাদন কৰিব।

(৪) ইয়াৰ ক্ষমতাৱলীৰ প্ৰয়োগত আৰু ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনত ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহ সমিতিৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া এনেধৰণৰ হ'ব, যেনেদৰে কেন্দ্ৰীয় চৰকাৰে বিহিত কৰে।

উপ-সমিতিৰ গঠন। ৯। (১) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহ সমিতিয়ে যিদৰে আৰু যেতিয়া ই আৱশ্যক বিবেচনা কৰে, ইয়াৰ কৃত্যৰ দক্ষ নিৰ্বহনৰ বাবে এখন বা ততোধিক উপ-সমিতি গঠন কৰিব পাৰে।

(২) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহ সমিতিয়ে ইয়াৰ সদস্যসকলৰ মাজৰ পৰা উপ-ধাৰা (১)ত নিৰ্দ্দেশিত উপ-সমিতিৰ অধ্যক্ষক নিযুক্তি দিব।

(৩) কোনো উপ-সমিতিৰ এজন বিশেষজ্ঞৰূপে জড়িত কোনো ব্যক্তিক, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ভাত্তা আদায় দিয়া হ'ব।

ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ ক্ষমতা আৰু কৃত্য। ১০। (১) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহ সমিতিয়ে, ইয়াৰ কৃত্যৰ নিৰ্বহনত ৰাষ্ট্ৰীয় প্ৰাধিকাৰক সহায়তা কৰিব আৰু ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ আঁচনি আৰু পৰিকল্পনাৰ প্ৰয়োগৰ বাবে দায়িত্ব থাকিব আৰু দেশত বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰি কৰা নিৰ্দ্দেশাৱলীৰ পালন সুনিশ্চিত কৰিব।

(২) উপ-ধাৰা (১)ত অন্তৰ্বিষ্ট উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে—

(ক) বিপৰ্য্যয় ব্যৱস্থাপনৰ সমন্বয় আৰু নিৰীক্ষণ নিকায় ৰূপে কাৰ্য্য কৰিব পাৰে;

(খ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা অনুমোদন হ'বলগীয়া ৰাষ্ট্ৰীয় পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে;

(গ) ৰাষ্ট্ৰীয় আঁচনিৰ প্ৰয়োগৰ সমন্বয় আৰু নিৰীক্ষণ কৰিব পাৰে;

(ঘ) ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় বা বিভাগ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰস্তুতিৰ বাবে নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(ঙ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসাৰে তেওঁলোকৰ বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰস্তুতিৰ বাবে ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ আৱশ্যকীয় কাৰিকৰী সহায়তা উপবন্ধ কৰিব পাৰে;

(চ) ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু পৰিকল্পনাসমূহৰ প্ৰয়োগ নিৰীক্ষণ কৰিব পাৰে;

(ছ) বিপৰ্য্যয় নিবাৰণৰ বাবে ব্যৱস্থাসমূহৰ একীকৰণৰ বাবে ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ প্ৰয়োগ আৰু সেইবোৰৰ উন্নয়নত পৰিকল্পনা আৰু আঁচনিত মন্ত্ৰালয় বা বিভাগৰ দ্বাৰা কৰা প্ৰশমন নিৰীক্ষণ কৰিব পাৰে;

(জ) চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় বা বিভাগ আৰু এজেঞ্চিসমূহৰ দ্বাৰা ল'বলগীয়া ব্যৱস্থাৰ প্ৰশমন বা প্ৰস্তুতিকৰণৰ সম্বন্ধত নিৰীক্ষণ সমন্বয় কৰিব আৰু নিৰ্দ্দেশ দিব পাৰে;

(ঝ) কোনো ভীতি প্ৰদৰ্শন কৰা বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সহাঁৰিৰ প্ৰয়োজনাৰ্থে সকলো চৰকাৰী স্তৰত প্ৰস্তুতিৰ মূল্যাংকণ কৰিব পাৰে আৰু এনে প্ৰস্তুতিৰ বৰ্দ্ধনৰ বাবে, য'ত আৱশ্যক হয়, নিৰ্দ্দেশ দিব পাৰে;

(ঞ) পদাধিকাৰী, কৰ্ম্মচাৰী আৰু ঐচ্ছিক উদ্ধাৰ কৰ্মীৰ বিভিন্ন স্তৰত বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে বিশিষ্ট প্ৰশিক্ষণ কাৰ্য্যসূচীৰ পৰিকল্পনা আৰু সমন্বয় কৰিব পাৰে;

(ট) কোনো ভীতি প্ৰদৰ্শন কৰা বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ ক্ষেত্ৰত ইয়াৰ উপশমৰ বাবে সমন্বিত কৰিব পাৰে;

(ঠ) কোনো ভীতি প্ৰদৰ্শন কৰা বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ উপশমত তেওঁলোকৰ দ্বাৰা ল'বলগীয়া ব্যৱস্থাবোৰৰ সম্বন্ধত ভাৰত চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰালয় বা বিভাগ, ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ বাবে নিৰ্দ্দেশাৱলী প্ৰণীত কৰিব পাৰে, বা নিৰ্দ্দেশনা দিব পাৰে;

(ড) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ বা ৰাজ্যিক প্ৰাধিকাৰলৈ এনে ব্যক্তি বা বাস্তৱিক সম্পদা সহজলভ্য কৰিবলৈ চৰকাৰৰ কোনো বিভাগ বা এজেঞ্চিক অপেক্ষা কৰিব পাৰে, যিদৰে জৰুৰীকালীন সহাঁৰিৰ প্ৰয়োজনাৰ্থে উদ্ধাৰ আৰু সাহায্যৰ সহজলভ্য হয়;

(ঢ) বিপৰ্য্যয় ব্যৱস্থাপনত নিয়োজিত ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগ, ৰাজ্যিক প্ৰাধিকাৰ পৰিনিয়ত নিকায়, আন চৰকাৰী বা বেচৰকাৰী সংগঠন বা অন্যবোৰৰ কাৰ্য্যকলাপত উপদেশ , সহায়তা আৰু সমন্বিত কৰিব পাৰে;

(ণ) এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহ কাৰ্য্যান্বিত কৰাৰ বাবে ৰাজ্যিক প্ৰাধিকাৰ আৰু জিলা প্ৰাধিকাৰক আৱশ্যকীয় কাৰিকৰী সহায়তা উপৰন্ধ কৰিব বা উপদেশ দিব পাৰে;

(ত) বিপৰ্য্যয় ব্যৱস্থাপন সম্বন্ধত সাধাৰণ শিক্ষা আৰু সতৰ্কতাৰ উন্নতি কৰিব পাৰে; আৰু

(থ) এনে আন কৃত্য সম্পাদন কৰিব পাৰে যিদৰে ৰাষ্ট্ৰীয় প্ৰাধিকাৰে এইটো সম্পাদন কৰিবলৈ অপেক্ষা কৰে।

ৰাষ্ট্ৰীয় পৰিকল্পনা। ১১। (১) সমগ্ৰ দেশৰ বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে ৰাষ্ট্ৰীয় পৰিকল্পনা নামেৰে এটা পৰিকল্পনা তৈয়াৰ কৰা হ'ব।

(২) ৰাষ্ট্ৰীয় পৰিকল্পনাটো, ৰাষ্ট্ৰীয় আঁচনিক অৱধানত ৰাখি ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা, আৰু ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা অনুমোদন কৰিবলগীয়া বিপৰ্য্যয় ব্যৱস্থাপনৰ ক্ষেত্ৰত, ৰাজ্য চৰকাৰ আৰু বিশিষ্ট নিকায় বা সংগঠনবোৰৰ পৰামৰ্শত, প্ৰস্তুত কৰা হ'ব।

(৩) ৰাষ্ট্ৰীয় পৰিকল্পনাই নিম্নলিখিতসমূহ অন্তৰ্ভুক্ত কৰিব—

(ক) বিপৰ্য্যয় প্ৰতিৰোধ বা সেইবোৰৰ প্ৰভাৱৰ প্ৰশমণৰ বাবে ল'বলগীয়া ব্যৱস্থা;

(খ) উন্নয়নমূলক পৰিকল্পনাত প্ৰশমণ ব্যৱস্থাৰ একীকৰণৰ বাবে ল'বলগীয়া ব্যৱস্থা;

(গ) কোনো ভীতি প্ৰদৰ্শন কৰা বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ত প্ৰভাৱীৰূপে সঁহাৰি জনাবলৈ প্ৰস্তুতি আৰু সামৰ্থ্য নিৰ্মাণৰ বাবে ল'বলগীয়া ব্যৱস্থা;

(ঘ) খণ্ড (ক) (খ) আৰু (গ)ত বিনিৰ্দ্দিষ্ট ব্যৱস্থাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় বা বিভাগৰ ভূমিকা আৰু দায়িত্ব।

(৪) ৰাষ্ট্ৰীয় পৰিকল্পনা বছৰি পুনৰীক্ষণ আৰু অদ্যাৱধি কৰা হ'ব।

# বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

(৫) ৰাষ্ট্ৰীয় পৰিকল্পনাৰ অধীনত কাৰ্য্যান্বিত কৰিবলগীয়া ব্যৱস্থাসমূহৰ বিত্ত বহনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা, সমুচিত উপবন্ধাৱলী প্ৰণয়ন কৰা হ'ব।

(৬) উপধাৰা (২) আৰু (৪)ত নিৰ্দ্দেশিত ৰাষ্ট্ৰীয় পৰিকল্পনাৰ প্ৰতিলিপিসমূহ ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগসমূহলৈ সহজলভ্য কৰা হ'ব আৰু এনে মন্ত্ৰালয় বা বিভাগবোৰে ৰাষ্ট্ৰীয় পৰিকল্পনা অনুসৰি তেওঁলোকৰ নিজা পৰিকল্পনা তৈয়াৰ কৰিব।

সাহায্যৰ ন্যূনতম মানকৰ বাবে নিৰ্দ্দেশাৱলী।

১২। ৰাষ্ট্ৰীয় প্ৰাধিকাৰে বিপৰ্য্যয়ত ভোগা ব্যক্তিক উপবন্ধিত কৰিবলগীয়া সাহায্যৰ ন্যূনতম মানকৰ বাবে নিৰ্দ্দেশাৱলীৰ চুপাৰিছ কৰিব, যিয়ে নিম্নলিখিতসমূহ অন্তৰ্ভুক্ত কৰিব—

(I) আশ্ৰয়, খাদ্য, খোৱাপানী, চিকিৎসা নিৰাপত্তা আৰু স্বাস্থ্যৰক্ষা সম্বন্ধত সাহায্য শিবিৰত উপবন্ধিত কৰিবলগীয়া ন্যূনতম অপেক্ষাকৰণবোৰ;

(II) বিধৱা আৰু অনাথৰ বাবে কৰিবলগীয়া বিশেষ উপবন্ধাৱলী;

(III) জীৱন হানিৰ বিষয়ে এককালীন সহায়তা আৰু গৃহৰ ক্ষতি আৰু জীৱিকাৰ সাধনৰ প্ৰত্যাৱৰ্ত্তনৰ বাবে কৰা সহায়তা;

(IV) আৱশ্যক হোৱাৰ দৰে এনে আন সাহায্য।

ঋণৰ প্ৰত্যাৰ্পণ ইত্যাদিত সাহায্য।

১৩। ৰাষ্ট্ৰীয় প্ৰাধিকাৰে, জটিল বিপৰ্য্যয়ৰ ক্ষেত্ৰত ঋণৰ প্ৰত্যাৰ্পণত সাহায্য বা সমুচিত হোৱা দৰে এনে ৰেহাইৰ অৱধিত বিপৰ্য্যয়ৰ দ্বাৰা ক্ষতিগ্ৰস্ত ব্যক্তিক নতুন ঋণৰ মঞ্জুৰীৰ বাবে, চুপাৰিছ কৰিব পাৰে।

## অধ্যায়-III
## ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ

ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰৰ স্থাপন।

১৪। (১) প্ৰত্যেক ৰাজ্য চৰকাৰে, ধাৰা ৩ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচনা জাৰি কৰাৰ পিচত লগে লগেই, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে নামেৰে ৰাজ্যৰ বা এটা ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ স্থাপন কৰিব।

(২) ৰাজ্যিক প্ৰাধিকাৰ, ৰাজ্য চৰকাৰে বিহিত কৰা দৰে এজন অধ্যক্ষ বা ন জনৰ অনধিক এনে সংখ্যক সদস্যৰে গঠিত হ'ব আৰু নিয়মাৱলীয়ে অন্যথা উপবন্ধ নকৰিলে, ৰাজ্যিক প্ৰাধিকাৰ নিম্নলিখিত সদস্যৰ দ্বাৰা গঠিত হ'ব ঃ—

(ক) ৰাজ্যৰ মুখ্যমন্ত্ৰী, যিজন পদেন অধ্যক্ষ হ'ব;

(খ) নজনৰ অনধিক আন সদস্যসমূহক ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষৰ দ্বাৰা মনোনীত কৰা হ'ব;

(গ) ৰাজ্যিক কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধ্যক্ষ, পদেন সদস্য হব ;

(৩) ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষই, উপ-ধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত মনোনীত সদস্যসকলৰ এজনক ৰাজ্যিক প্ৰাধিকাৰীৰ উপাধ্যক্ষ হ'বলৈ পদাভিহিত কৰিব পাৰে।

(৪) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ অধ্যক্ষ, ৰাজ্যিক প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক পদাধিকাৰী, পদেন সদস্য হ'ব ঃ

পৰন্তু দিল্লী সংঘ ৰাজ্যক্ষেত্ৰৰ ব্যতিৰেকে, বিধান মণ্ডল থকা এখন সংঘ ৰাজ্যক্ষেত্ৰৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী, এই ধাৰাৰ অধীনত স্থাপন কৰা প্ৰাধিকাৰৰ অধ্যক্ষ হ'ব আৰু আন সংঘ ৰাজ্যৰ ক্ষেত্ৰত, উপ-ৰাজ্যপাল বা প্ৰশাসক সেই প্ৰাধিকাৰৰ অধ্যক্ষ হ'ব ঃ

উপৰন্তু দিল্লী সংঘ ৰাজ্যক্ষেত্ৰৰ উপ-ৰাজ্যপালজন অধ্যক্ষ হ'ব আৰু তাৰ মুখ্যমন্ত্ৰীজন ৰাজ্যিক

## বিপৰ্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

প্ৰাধিকাৰৰ উপাধ্যক্ষ হ'ব।

(৫) ৰাজ্যিক প্ৰাধিকাৰৰ সদস্যৰ সেৱাৰ পদাৱধি আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

ৰাজ্যিক প্ৰাধিকাৰৰ বৈঠক।

১৫। (১) ৰাজ্যিক প্ৰাধিকাৰৰ যেতিয়া আৱশ্যক হয় আৰু এনে সময়ত আৰু স্থানত মিলিত হ'ব যেনেদৰে ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষই উচিত বুলি ভাবে।

(২) ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষই, ৰাজ্যিক প্ৰাধিকাৰৰ বৈঠকত সভাপতিত্ব কৰিব।

(৩) যদিহে কোনো কাৰণৰ বাবে ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষই, ৰাজ্যিক প্ৰাধিকাৰৰ বৈঠকত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, ৰাজ্যিক প্ৰাধিকাৰৰ উপাধ্যক্ষই, বৈঠকত সভাপতিত্ব কৰিব।

ৰাজ্যিক প্ৰাধিকাৰৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ নিযুক্তি।

১৬। ৰাজ্য চৰকাৰে, ৰাজ্যিক প্ৰাধিকাৰৰ কৃত্যসমূহ কাৰ্য্যান্বিত কৰিবলৈ ই আৱশ্যক বিবেচনা কৰা দৰে এনে পদাধিকাৰী, পৰামৰ্শদাতা আৰু কৰ্মচাৰীবৃন্দৰ উপবন্ধ কৰিব।

ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা উপদেষ্টা সমিতিৰ গঠন।

১৭। (১) ৰাজ্যিক প্ৰাধিকাৰে, যেতিয়া ই আৱশ্যক বিবেচনা কৰে, বিপৰ্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ৰ ওপৰত চুপাৰিছ কৰিবলৈ, বিপৰ্যয় ব্যৱস্থাপনৰ ক্ষেত্ৰত দক্ষ ব্যক্তি আৰু বিপৰ্যয় ব্যৱস্থাপনত ব্যৱহাৰিক অভিজ্ঞতা থকা ব্যক্তিৰে এখন উপদেষ্টা সমিতি গঠন কৰিব পাৰে।

(২) উপদেষ্টা সমিতিৰ সদস্যক, ৰাজ্য চৰকাৰে বিহিত কৰা দৰে এনে ভাত্তা দিয়া হ'ব।

ৰাজ্যিক প্ৰাধিকাৰৰ ক্ষমতা আৰু কৃত্য।

১৮। (১) এই অধিনিয়মৰ উপৱন্ধাৱলীৰ সাপেক্ষে, এটা ৰাজ্যিক প্ৰাধিকাৰৰ, ৰাজ্যত বিপৰ্যয় ব্যৱস্থাপনৰ বাবে আঁচনি আৰু পৰিকল্পনা প্ৰণয়ন কৰাৰ বাবে দায়িত্ব থাকিব।

(২) উপ-ধাৰা (১)ত অন্তৰ্বিষ্ট উপৱন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ ৰাজ্যিক প্ৰাধিকাৰে—

(ক) ৰাজ্যিক বিপৰ্যয় ব্যৱস্থাপন আঁচনি প্ৰণয়ন কৰিব পাৰে;

(খ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দেশাৱলীৰ অনুসাৰে ৰাজ্যিক আঁচনি অনুমোদন কৰিব পাৰে;

(গ) ৰাজ্যৰ চৰকাৰৰ বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা বিপৰ্যয় ব্যৱস্থাপন আঁচনি অনুমোদন কৰিব পাৰে;

(ঘ) বিপৰ্যয় প্ৰতিৰোধ আৰু সেইবোৰৰ উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাত প্ৰশমন কৰাৰ বাবে ব্যৱস্থাৰ একীকৰণৰ প্ৰয়োজনাৰ্থে ৰাজ্যৰ চৰকাৰৰ বিভাগসমূহৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(ঙ) ৰাজ্যিক পৰিকল্পনাৰ প্ৰয়োগ সমন্বিত কৰিব পাৰে;

(চ) প্ৰশমন আৰু প্ৰস্তুতি ব্যৱস্থাৰ বাবে নিধিৰ উপবন্ধৰ চুপাৰিছ কৰিব পাৰে;

(ছ) ৰাজ্যৰ বিভিন্ন বিভাগৰ উন্নয়নৰ পৰিকল্পনাৰ পুনৰীক্ষণ কৰিব পাৰে আৰু প্ৰতিৰোধ আৰু প্ৰশমন ব্যৱস্থাবোৰ তাত যে একীকৃত হয় তাৰ সুনিশ্চিত কৰিব পাৰে;

(জ) ৰাজ্যৰ চৰকাৰৰ বিভাগৰ দ্বাৰা প্ৰশমন, সামৰ্থ্য নিৰ্মাণ আৰু প্ৰস্তুতিৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ পুনৰীক্ষণ কৰিব পাৰে আৰু এনে নিৰ্দেশাৱলী জাৰি কৰিব পাৰে, যেনেদৰে আৱশ্যক হয়।

(৩) ৰাজ্যিক প্ৰাধিকাৰৰ অধ্যক্ষৰ, জৰুৰী অৱস্থাত, ৰাজ্যিক প্ৰাধিকাৰৰ ক্ষমতাৰ সকলো বা কোনোটোক কাৰ্য্যান্বিত কৰিবলৈ ক্ষমতা থাকিব কিন্তু এনে ক্ষমতাৰ প্ৰয়োগ ৰাজ্যিক প্ৰাধিকাৰৰ পূৰ্বোত্তৰ অনুমোদন সাপেক্ষে হ'ব;

ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা সাহায্যৰ ন্যূনতম মানকৰ বাবে নিৰ্দ্দেশাৱলী।

১৯। ৰাজ্যৰ প্ৰাধিকাৰে, ৰাজ্যত বিপৰ্যয়ৰ দ্বাৰা ক্ষতিগ্ৰস্ত ব্যক্তিলৈ দিয়া সাহায্যৰ মানক উপবন্ধ কৰাৰ বাবে বিশদ নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব ঃ

## বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

পৰন্তু এনে মানক, কোনো ক্ষেত্ৰতে, এই সম্বন্ধত ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীত ন্যূনতম মানৰ কম নহ'ব।

ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি গঠন।

২০। (১) ৰাজ্য চৰকাৰে ধাৰা ১৪ ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচনা জাৰি কৰাৰ পিছত শীঘ্ৰে, ইয়াৰ কৃত্যসমূহৰ সম্পাদনত ৰাজ্যিক প্ৰাধিকাৰক সহায়তা কৰিবলৈ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসৰণত কাৰ্য্য সমন্বিত কৰিবলৈ এখন ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰিব আৰু এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা জাৰি কৰা নিৰ্দ্দেশনাৰ অনুপালন সুনিশ্চিত কৰিব।

(২) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি নিম্নলিখিত সদস্যসমূহেৰে গঠিত হ'ব, অৰ্থাৎ—

(ক) ৰাজ্য চৰকাৰৰ মুখ্য সচিব, যিজন পদেন অধ্যক্ষ হ'ব;

(খ) ৰাজ্য চৰকাৰৰ এনে বিভাগৰ চাৰিজন সচিব, যেনেদৰে ৰাজ্য চৰকাৰে যোগ্য বুলি বিবেচনা কৰে, পদেন সদস্য হ'ব।

(৩) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ অধ্যক্ষই, ৰাজ্য চৰকাৰে বিহিত কৰা দৰে এনে ক্ষমতাৱলী প্ৰয়োগ আৰু এনে কৃত্য সম্পাদন কৰিব আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা দৰে এনে আন ক্ষমতা আৰু কৃত্য প্ৰয়োগ সম্পাদন কৰিব।

(৪) ইয়াৰ ক্ষমতা প্ৰয়োগত আৰু ইয়াৰ কৃত্য নিৰ্বহনত ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া এনে হ'ব যিদৰে ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা হয়।

ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা উপ-সমিতিৰ গঠন।

২১। (১) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে, যেতিয়া ই আৱশ্যক বিবেচনা কৰে, ইয়াৰ কৃত্যৰ দক্ষ নিৰ্বহনৰ বাবে এক বা ততোধিক উপ-সমিতি গঠন কৰিব পাৰে।

(২) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে ইয়াৰ সদস্যসমূহৰ মাজৰ পৰা উপ-ধাৰা (১)ত নিৰ্দ্দেশিত উপ-সমিতিৰ অধ্যক্ষক নিযুক্তি দিব।

(৩) কোনো উপ-সমিতিত এজন বিশিষ্ট ব্যক্তিৰূপে জড়িত থকা কোনো ব্যক্তিক ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ভাত্তা দিয়া হ'ব।

ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ কৃত্য।

২২। (১) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু ৰাজ্যিক পৰিকল্পনা প্ৰয়োগৰ বাবে দায়িত্ব থাকিব আৰু ৰাজ্যত বিপৰ্য্যয় ব্যৱস্থাপনৰ সমন্বয় আৰু নিৰীক্ষণ নিকায়ৰূপে কাৰ্য্য কৰিব।

(২) উপ-ধাৰা (১)ৰ উপৰন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে—

(ক) ৰাষ্ট্ৰীয় আঁচনি, ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু ৰাজ্যিক পৰিকল্পনাৰ প্ৰয়োগ সমন্বিত আৰু নিৰীক্ষণ কৰিব পাৰে;

(খ) ৰাজ্যৰ বিভিন্ন ভাগত বিপৰ্য্যয়ৰ বিভিন্ন প্ৰকাৰৰ ভেদ্যতা পৰীক্ষা কৰিব পাৰে আৰু সেইবোৰৰ প্ৰতিৰোধ বা প্ৰশমনৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহ বিনিৰ্দ্দিষ্ট কৰিব পাৰে;

(গ) ৰাজ্য চৰকাৰৰ বিভাগ আৰু জিলা প্ৰাধিকাৰৰ দ্বাৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰস্তুতিৰ বাবে নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(ঘ) ৰাজ্য চৰকাৰৰ বিভাগ আৰু জিলা প্ৰাধিকাৰৰ দ্বাৰা প্ৰস্তুত কৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰয়োগৰ নিৰীক্ষণ কৰিব পাৰে;

(ঙ) বিপৰ্য্যয় প্ৰতিৰোধৰ ব্যৱস্থাৰ একীকৰণৰ বাবে ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ প্ৰয়োগ আৰু সেইবোৰৰ উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাত বিভাগৰ কৰা প্ৰশমন নিৰীক্ষণ কৰিব পাৰে;

(চ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্যয়ক সঁহাৰি দিবলৈ সকলো চৰকাৰী বা বেচৰকাৰী স্তৰত প্ৰস্তুতিৰ মূল্যাঙ্কন কৰিব পাৰে আৰু এনে প্ৰস্তুতিৰবৰ্দ্ধনৰ বাবে, য'ত আৱশ্যক হয়, নিৰ্দ্দেশ দিব পাৰে;

(ছ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ ক্ষেত্ৰত সমন্বিত সঁহাৰিৰ ব্যৱস্থা কৰিব পাৰে;

(জ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সঁহাৰিত ল'বলগীয়া ব্যৱস্থাৰ লক্ষ্য ৰাখি ৰাজ্যৰ চৰকাৰৰ কোনো বিভাগ বা ৰাজ্যৰ কোনো আন প্ৰাধিকাৰ বা নিকায়ক নিৰ্দ্দেশ দিব পাৰে;

(ঝ) বিপৰ্য্যয় প্ৰকাৰসমূহৰ সম্বন্ধত সাধাৰণ শিক্ষা, সতৰ্কতা আৰু সাম্প্ৰদায়িক প্ৰশিক্ষণ উন্নীত কৰিব পাৰে য'লৈ ৰাজ্যৰ বিভিন্ন ভাগ বিপদসঙ্কুল হৈ থাকে আৰু বিপৰ্য্যয় প্ৰতিৰোধ কৰিবলৈ এনে সম্প্ৰদায়ৰ দ্বাৰা ল'বলগীয়া ব্যৱস্থাই এনে বিপৰ্য্যয় প্ৰশমন কৰিব পাৰে আৰু সঁহাৰি দিব পাৰে;

(ঞ) বিপৰ্য্যয় ব্যৱস্থাপনত নিয়োজিত ৰাজ্যৰ চৰকাৰৰ বিভাগ, জিলা প্ৰাধিকাৰ, পৰিনিয়ত নিকায় আৰু আন চৰকাৰী আৰু বেচৰকাৰী সংগঠনৰ কাৰ্য্যকলাপক উপদেশ, সহায়তা আৰু সমন্বিত কৰিব পাৰে;

(ট) জিলা প্ৰাধিকাৰ বা স্থানীয় প্ৰাধিকাৰক তেওঁলোকৰ কৃত্যবোৰ ফলদায়কভাৱে সম্পন্ন কৰা বাবে আৱশ্যকীয় কাৰিকৰী সহায়তা আৰু উপদেশৰ উপবন্ধ কৰিব পাৰে;

(ঠ) বিপৰ্য্যয় ব্যৱস্থাপনৰ সম্বন্ধত সকলো বিত্তীয় বিষয়ৰ লক্ষ্য ৰাখি ৰাজ্য চৰকাৰক উপদেশ দিব পাৰে;

(ড) ৰাজ্যৰ কোনো স্থানীয় এলেকাৰ নিৰ্মাণকাৰ্য্য পৰীক্ষা কৰিব পাৰে, যদিহে তেওঁৰ এইটো মত হয় যে বিপৰ্য্যয় প্ৰতিৰোধৰ বাবে এনে নিৰ্মাণ কাৰ্য্যৰ বাবে প্ৰণীত মানক অনুসৰণ নকৰে বা কৰা হোৱা নাই, তেন্তে জিলা প্ৰাধিকাৰ বা যথাস্থিতি, স্থানীয় প্ৰাধিকাৰক, এনে মানকসমূহৰ পালন সুনিশ্চিত কৰিবলৈ আৱশ্যক হোৱা এনে কাৰ্য্যব্যৱস্থা ল'বলৈ নিৰ্দ্দেশ দিব পাৰে;

(ঢ) বিপৰ্য্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ৰ সম্বন্ধত ৰাষ্ট্ৰীয় প্ৰাধিকাৰক তথ্য উপবন্ধিত কৰিব পাৰে;

(ণ) ৰাজ্যিক স্তৰৰ সঁহাৰিমূলক পৰিকল্পনা আৰু নিৰ্দ্দেশাৱলী প্ৰণয়ন, পুনৰীক্ষণ আৰু অদ্যাৱধি সুনিশ্চিত কৰিব পাৰে যে জিলা স্তৰৰ পৰিকল্পনা প্ৰস্তুত, পুনৰীক্ষণ আৰু অদ্যাৱধি কৰা হৈছে।

(ত) সুনিশ্চিত কৰিব পাৰে যে সংযোগ ব্যৱস্থা ঠিকেই আছে আৰু বিপৰ্য্যয় ব্যৱস্থাপন ড্ৰিলবোৰ সাময়িকভাৱে সম্পন্ন কৰা হৈছে;

(থ) ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা ইয়ালৈ নিৰ্দ্ধাৰিত কৰা দৰে বা আৱশ্যক বিবেচনা কৰা দৰে এনে আন কৃত্য সম্পাদন কৰিব পাৰে।

ৰাজ্যিক পৰিকল্পনা। ২৩। (১) প্ৰত্যেক ৰাজ্যত, ৰাজ্যিক বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা নামেৰে এটা পৰিকল্পনা স্থাপন কৰা হ'ব।

## বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

(২) ৰাজ্যিক পৰিকল্পনাটো, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীক অৱধানত ৰাখি আৰু ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে যোগ্য বুলি গণ্য কৰা দৰে স্থানীয় প্ৰাধিকাৰ, জিলা প্ৰাধিকাৰ আৰু জন প্ৰতিনিধিৰ সৈতে কৰা এনে পৰামৰ্শৰ পিচত, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা প্ৰস্তুত কৰা হ'ব।

(৩) উপ-ধাৰা (২)ৰ অধীনত ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা প্ৰস্তুত কৰা ৰাজ্যিক পৰিকল্পনা, ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা অনুমোদিত কৰা হ'ব।

(৪) ৰাজ্যিক পৰিকল্পনাই নিম্নলিখিতসমূহ অন্তৰ্ভুক্ত কৰিব,

(ক) ৰাজ্যৰ বিভিন্ন ভাগত বিভিন্ন প্ৰকাৰৰ বিপৰ্য্যয়ৰ ভেদ্যতা;

(খ) বিপৰ্য্যয়ৰ প্ৰতিৰোধ আৰু প্ৰশমনৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা;

(গ) এনে ৰীতি, য'ত প্ৰশমন ব্যৱস্থা, উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাৰ সৈতে একীকৃত হ'ব;

(ঘ) সামৰ্থ্য নিৰ্মাণ আৰু ল'বলগীয়া প্ৰস্তুতিৰ ব্যৱস্থা।

(ঙ) উক্ত খণ্ড (খ), (গ) আৰু (ঘ)ত বিনিৰ্দ্দিষ্ট ব্যৱস্থাৰ সম্বন্ধত ৰাজ্য চৰকাৰৰ প্ৰত্যেক বিভাগৰ ভূমিকা আৰু দায়িত্ব;

(চ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়লৈ ক্ৰিয়া কৰা ৰাজ্যৰ চৰকাৰৰ বিভিন্ন বিভাগৰ ভূমিকা আৰু দায়িত্ব।

(৫) ৰাজ্যিক পৰিকল্পনাক বাৰ্ষিক ৰূপে পুনৰীক্ষণ আৰু অদ্যাৱধি কৰা হ'ব।

(৬) ৰাজ্যিক পৰিকল্পনাৰ অধীনত কাৰ্য্যান্বিত কৰিবলগীয়া ব্যৱস্থাসমূহৰ যোগানৰ বাবে ৰাজ্য চৰকাৰৰ দ্বাৰা সমুচিত উপবন্ধাৱলী কৰা হ'ব।

(৭) উপ-ধাৰা (২) আৰু (৫)ত নিৰ্দ্দেশিত ৰাজ্যিক পৰিকল্পনাৰ প্ৰতিলিপি ৰাজ্যৰ চৰকাৰৰ বিভাগসমূহলৈ সহজলভ্য কৰা হ'ব আৰু এনে বিভাগে ৰাজ্যিক পৰিকল্পনা অনুসৰি তেওঁলোকৰ নিজা পৰিকল্পনা তৈয়াৰ কৰিব।

ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থাৰ ক্ষেত্ৰত ৰাজ্যিক কাৰ্য্যানিৰ্বাহক সমিতিৰ ক্ষমতা আৰু কৃত্য।

২৪। বিপৰ্য্যয়ত ভুক্তভোগী হোৱা সম্প্ৰদায়ক সহায়তা কৰাৰ আৰু সুৰক্ষা দিয়াৰ বা এনে সম্প্ৰদায়ক সাহায্য উপবন্ধ কৰাৰ বা বিচ্ছিন্নতাক প্ৰতিৰোধ বা বিৰোধিতা কৰাৰ বা কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয়ৰ অৱস্থাৰ পৰিণামৰ সৈতে জড়িত হোৱাৰ প্ৰয়োজনাৰ্থে, ৰাজ্যিক কাৰ্য্যানিৰ্বাহক সমিতিয়ে—

(ক) ভেদ্য বা ক্ষতিগ্ৰস্ত অঞ্চলৰ পৰা বা অঞ্চলৰ ভিতৰত বাহনৰ যানজঁটৰ নিয়ন্ত্ৰণ আৰু সীমিত কৰিব পাৰে;

(খ) এখন ভেদ্য বা প্ৰভাৱী অঞ্চলৰ ভিতৰত তেওঁৰ আগমন আৰু প্ৰস্থানত কোনো ব্যক্তিৰ প্ৰৱিষ্টি নিয়ন্ত্ৰণ আৰু সীমিত কৰিব পাৰে;

(গ) ধ্বংসাৱশেষ আঁতৰ কৰিব, তালাচী চলাব আৰু উদ্ধাৰ অভিযান চলাব পাৰে;

(ঘ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত মানৰ অনুসাৰে আশ্ৰয়, খাদ্য, খোৱাপানী, অত্যাৱশ্যকীয় উপবন্ধাৱলী, স্বাস্থ্য কল্যাণ আৰু সেৱাৰ উপবন্ধ কৰিব পাৰে;

(ঙ) ৰাজ্যৰ স্থানীয় পৰিসীমাৰ ভিতৰত, ৰাজ্যৰ চৰকাৰৰ সংশ্লিষ্ট বিভাগ, কোনো জিলা প্ৰাধিকাৰ বা আন প্ৰাধিকাৰলৈ উদ্ধাৰ, নিষ্ক্ৰমণ বা জীৱন বা সম্পত্তি ৰক্ষাৰ শীঘ্ৰে সাহায্যৰ উপৰন্ধ কৰিবলৈ, যেনেদৰে ইয়াত মতত আৱশ্যক হয়, নিৰ্দ্দেশ দিব পাৰে;

(চ) ৰাজ্যৰ চৰকাৰৰ কোনো বিভাগ বা কোনো আন নিকায় বা প্ৰাধিকাৰ বা কোনো সুসঙ্গত উৎসৰ দায়িত্বত থকা কোনো ব্যক্তিক, জৰুৰীকালীন ক্ৰিয়া, উদ্ধাৰ আৰু সাহায্যৰ প্ৰয়োজনাৰ্থে উৎসবোৰক সহজলভ্য কৰিবলৈ অপেক্ষিত কৰিব পাৰে;

(ছ) উদ্ধাৰ আৰু সাহায্যৰ বাবে উপদেশ আৰু সহায়তা উপবন্ধ কৰিবলৈ বিপৰ্য্যয়ৰ স্থানত বিশেষজ্ঞ আৰু পৰামৰ্শদাতাক অপেক্ষিত কৰিব পাৰে;

(জ) কোনো প্ৰাধিকাৰ বা ব্যক্তিৰ পৰা অনন্য সা-সুবিধাৰ বা অগ্ৰমান্য ব্যৱহাৰ লাভ কৰিব পাৰে যিদৰে আৰু যেতিয়া অপেক্ষিত কৰা হয়;

(ঝ) অস্থায়ী দলং বা আন আৱশ্যকীয় গাঁথনি নিৰ্মাণ কৰিব পাৰে আৰু অসুৰক্ষা নিৰ্মাণ কৰিব পাৰে যিবোৰ জনসাধাৰণৰ বাবে আশঙ্কাপূৰ্ণ হয়;

(ঞ) সুনিশ্চিত কৰিব পাৰে যে বেচৰকাৰী সংগঠনবোৰে সাম্যপূৰ্ণ আৰু অবিভেদকাৰী ৰীতিত তেওঁলোকৰ কাৰ্য্যকলাপ সম্পন্ন কৰে;

(ট) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সৈতে জড়িত জনসাধাৰণলৈ তথ্য প্ৰসাৰিত কৰিব পাৰে;

(ঠ) এনে ব্যৱস্থা ল'ব পাৰে যিদৰে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে এনেক্ষেত্ৰত এনে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দ্দেশ দিব পাৰে বা এনে আন ব্যৱস্থা ল'ব পাৰে যিদৰে কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ আশঙ্কাৰ পৰিস্থিতি অপেক্ষিত কৰা হয় বা নিশ্চয়তা দিয়া হয়।

## অধ্যায়-IV
## জিলা বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ

জিলা বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰৰ গঠন।

২৫। (১) প্ৰত্যেক ৰাজ্য চৰকাৰে, ধাৰা ১৪ৰ উপ-ধাৰা (১)ৰ অধীনত অধিসূচনা জাৰি কৰাৰ পিচত যথাশীঘ্ৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, সেই অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে নামেৰে ৰাজ্যৰ প্ৰত্যেক জিলাৰ বাবে এখন জিলা বিপৰ্য্যয় ব্যৱস্থাপন প্ৰাধিকাৰ স্থাপন কৰিব।

(২) জিলা প্ৰাধিকাৰী, অধ্যক্ষ আৰু ৰাজ্য চৰকাৰে বিহিত কৰা দৰে, সাতজনৰ অনধিক, এনেসংখ্যক আন সদস্যৰে গঠিত হ'ব, আৰু নিয়মাৱলীয়ে অন্যথা উপবন্ধ নকৰিলে, ই নিম্নলিখিতসমূহেৰে গঠিত হ'ব, অৰ্থাৎ—

(ক) জিলাৰ সমাৰ্হতা বা জিলা দণ্ডাধীশ বা যথাস্থিতি উপায়ুক্ত পদেন অধ্যক্ষ হ'ব।

(খ) স্থানীয় প্ৰাধিকাৰৰ নিৰ্বাচিত প্ৰতিনিধিজন যিজন পদেন সহ অধ্যক্ষ হ'ব ঃ

পৰন্তু সংবিধানৰ ষষ্ঠ অনুসূচীত নিৰ্দ্দেশিত কৰা জনজাতি অঞ্চলত স্বশাসিত জিলাৰ জিলা পৰিষদৰ মুখ্য কাৰ্য্যনিৰ্বাহক সদস্য, পদেন সহ অধ্যক্ষ হ'ব;

(গ) জিলা প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক পদাধিকাৰী, পদেন ;

(ঘ) আৰক্ষী অধীক্ষক, পদেন ;

(ঙ) জিলাৰ মুখ্য স্বাস্থ্য পদাধিকাৰী, পদেন ;

(চ) আন জিলা স্তৰৰ দুজন পদাধিকাৰীৰ অনধিক, ৰাজ্য চৰকাৰৰ দ্বাৰা নিয়োগ কৰা হ'ব।

(৩) কোনো জিলাত, য'ত জিলা পৰিষদ থাকে, তাৰ অধ্যক্ষজন জিলা প্ৰাধিকাৰৰ সহ-অধ্যক্ষ হ'ব।

(৪) ৰাজ্য চৰকাৰে, জিলাৰ অতিৰিক্ত অধীক্ষক বা অতিৰিক্ত জিলা দণ্ডাধীশ বা যথাস্থিতি, অতিৰিক্ত উপায়ুক্তৰ পদমৰ্য্যাদাৰ নিম্নতৰ নোহোৱা এজন পদাধিকাৰীক, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ক্ষমতা কাৰ্য্যকৰী কৰিবলৈ আৰু এনে ক্ষমতা কাৰ্য্যকৰী কৰিবলৈ আৰু এনে কৃত্য সম্পাদন কৰিবলৈ আৰু জিলা প্ৰাধিকাৰৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা দৰে এনে আন ক্ষমতা আৰু কৃত্য কাৰ্য্যকৰী আৰু সম্পাদন কৰিবলৈ, জিলা প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক পদাধিকাৰী হ'বলৈ, নিযুক্তি দিব।

জিলা প্ৰাধিকাৰৰ অধ্যক্ষৰ ক্ষমতা।

২৬। (১) জিলা প্ৰাধিকাৰৰ অধ্যক্ষই, জিলা প্ৰাধিকাৰৰ বৈঠকত সভাপতিত্বত কৰাৰ উপৰিও, জিলা প্ৰাধিকাৰে তেওঁক আৰোপিত কৰা জিলা প্ৰাধিকাৰৰ এনে ক্ষমতা আৰু কৃত্য কাৰ্য্যকৰী আৰু নিৰ্বহন কৰিব।

(২) জিলা প্ৰাধিকাৰৰ অধ্যক্ষৰ, এটা জৰুৰীকালীন অৱস্থাত, জিলা প্ৰাধিকাৰৰ ক্ষমতাৰ সকলো বা যিকোনোটোৰ কাৰ্য্যান্বিত কৰিবলৈ ক্ষমতা থাকিব কিন্তু এনে ক্ষমতাৰ প্ৰয়োগ জিলা প্ৰাধিকাৰৰ পূৰ্বোত্তৰ অনুমোদন সাপেক্ষে হ'ব।

(৩) জিলা প্ৰাধিকাৰ বা জিলা প্ৰাধিকাৰৰ অধ্যক্ষই, লিখিতভাৱে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা, এনে চৰ্ত্তাৱলী আৰু পৰিসীমাৰ সাপেক্ষে যদি কিবা থাকে, যেনেদৰে ই বা তেওঁ যোগ্য বুলি গণ্য কৰে, জিলা প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক পদাধিকাৰীলৈ, উপ-ধাৰা (১) বা যথাস্থিতি (২)ৰ অধীনত, ইয়াৰ বা তেওঁৰ এনে ক্ষমতা আৰু কৃত্য আৰোপিত কৰিব পাৰে।

বৈঠক।

২৭। জিলা প্ৰাধিকাৰে যিদৰে আৰু যেতিয়া আৱশ্যক হয় আৰু এনে সময়ত আৰু এনে স্থানত মিলিত হ'ব, যেনেদৰে অধ্যক্ষই উচিত বুলি ভাবে।

উপদেষ্টা সমিতি আৰু আন সমিতিৰ গঠন।

২৮। (১) জিলা প্ৰাধিকাৰে, যিদৰে আৰু যেতিয়া ই আৱশ্যক বিবেচনা কৰে, ইয়াৰ কৃত্যৰ দক্ষ নিৰ্বহনৰ বাবে এক বা ততোধিক উপদেষ্টা সমিতি আৰু আন সমিতি, গঠন কৰিব পাৰে।

(২) জিলা প্ৰাধিকাৰে, ইয়াৰ সদস্যসমূহৰ মাজৰ পৰা, উপ-ধাৰা (১)ত নিৰ্দ্দেশিত কৰা সমিতিৰ অধ্যক্ষক নিযুক্তি দিব।

(৩) উপ-ধাৰা (১)ৰ অধীনত গঠিত কোনো সমিতি বা উপ-সমিতিত এজন বিশেষজ্ঞৰূপে সহযোগ কৰা কোনো ব্যক্তিক, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ভাত্তা দিয়া হ'ব।

জিলা প্ৰাধিকাৰৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীৰ নিযুক্তি।

২৯। ৰাজ্য চৰকাৰে, জিলা প্ৰাধিকাৰৰ কৃত্য কাৰ্য্যকৰী কৰাৰ বাবে, জিলা প্ৰাধিকাৰক ই আৱশ্যক বিবেচনা কৰা দৰে এনে পদাধিকাৰী, পৰামৰ্শদাতা আৰু আন কৰ্ম্মচাৰীৰ উপবন্ধ কৰিব।

জিলা প্ৰাধিকাৰৰ ক্ষমতা আৰু কৃত্য।

৩০। (১) জিলা প্ৰাধিকাৰে বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে জিলা পৰিকল্পনা সমন্বয় আৰু প্ৰয়োগ নিকায় ৰূপে কাৰ্য্য কৰিব আৰু ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসাৰে জিলাত বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰয়োজনাৰ্থে সকলো ব্যৱস্থা ল'ব।

(২) উপ-ধাৰা (১)ৰ উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, জিলা প্ৰাধিকাৰে—

(i) জিলাৰ বাবে জিলা সঁহাৰি পৰিকল্পনাক অন্তৰ্ভুক্ত কৰি এটা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে;

(ii) ৰাষ্ট্ৰীয় যোজনা, ৰাজ্যিক যোজনা, ৰাষ্ট্ৰীয় পৰিকল্পনা, ৰাজ্যিক পৰিকল্পনা আৰু জিলা পৰিকল্পনাৰ প্ৰয়োগক সমন্বয় আৰু নিৰীক্ষণ কৰিব;

(iii) বিপৰ্য্যয়ৰ ভেদ্য হৈ থকা জিলাৰ অঞ্চলবোৰত চিনাক্ত কৰা আৰু বিপৰ্য্যয়ৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থা লোৱাৰ আৰু জিলা স্তৰত চৰকাৰৰ বিভাগৰ দ্বাৰা তথা স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা ইয়াৰ পৰিণামৰ হ্ৰাস কৰা হৈছে বুলি সুনিশ্চিত কৰিব পাৰে;।

(iv) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত কৰা দৰে বিপৰ্য্যয়ৰ প্ৰতিৰোধ, ইয়াৰ পৰিণামৰ হ্ৰাসকৰণ, প্ৰস্তুতি আৰু সঁহাৰি ব্যৱস্থা, জিলা স্তৰত চৰকাৰৰ সকলো বিভাগ আৰু জিলাত স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা নিৰ্দ্দেশাৱলী অনুসৰণ কৰা হৈছে বুলি সুনিশ্চিত কৰিব পাৰে;

(v) বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে এনে আন ব্যৱস্থা ল'বলৈ জিলা স্তৰত বিভিন্ন প্ৰাধিকাৰ আৰু স্থানীয় প্ৰাধিকাৰলৈ নিৰ্দ্দেশ দিব পাৰে, যেনেদৰে আৱশ্যক হয়;

(vi) জিলা স্তৰত চৰকাৰৰ বিভাগৰ দ্বাৰা আৰু জিলাত স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰতিৰোধৰ বাবে নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে;

(vii) জিলা স্তৰত চৰকাৰৰ বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰয়োগৰ নিৰীক্ষণ কৰিব পাৰে;

(viii) বিপৰ্য্যয়ৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থাবোৰক একীকৃত আৰু হ্ৰাসকৰণ কৰা আৰু তেওঁলোকৰ উন্নয়নমূলক পৰিকল্পনা আৰু যোজনাৰ প্ৰয়োজনাৰ্থে জিলা স্তৰত চৰকাৰৰ বিভাগৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া নিৰ্দ্দেশাৱলী প্ৰণয়ন কৰিব পাৰে আৰু তাৰ বাবে আৱশ্যকীয় কাৰিকৰী সহায়তাৰ উপবন্ধ কৰিব পাৰে;

(ix) খণ্ড (VIII)ত নিৰ্দ্দেশিত ব্যৱস্থাৰ প্ৰয়োগৰ নিৰীক্ষণ কৰিব পাৰে;

(x) জিলাত কোনো বিপৰ্য্যয় বা ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থাত সঁহাৰি জনোৱাৰ বাবে সামৰ্থ্যৰ স্থিতি পুনৰীক্ষণ কৰিব পাৰে আৰু সেইবোৰৰ উন্নতিৰ বাবে জিলা স্তৰত সুসঙ্গত বিভাগ বা প্ৰাধিকাৰলৈ নিৰ্দ্দেশ দিব পাৰে, যিদৰে আৱশ্যক হয়;

(xi) প্ৰস্তুতকৰণ ব্যৱস্থাৰ পুনৰীক্ষণ কৰিব পাৰে আৰু জিলা স্তৰত সংশ্লিষ্ট বিভাগ বা আন সংশ্লিষ্ট প্ৰাধিকাৰক নিৰ্দ্দেশ দিব পাৰে য'ত, কোনো বিপৰ্য্যয় বা ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থালৈ প্ৰভাৱনীয় সাহায্য দিয়াৰ বাবে অপেক্ষিত কৰা স্তৰলৈ প্ৰস্তুতি ব্যৱস্থা লোৱাৰ বাবে আৱশ্যক হয়;

(xii) জিলাত পদাধিকাৰী, কৰ্ম্মচাৰী আৰু স্বৈচ্ছিক উদ্ধাৰ কৰ্ম্মীৰ বিভিন্ন স্তৰৰ বাবে বিশিষ্ট প্ৰশিক্ষণ কাৰ্য্যব্যৱস্থাৰ সংগঠন আৰু সমন্বয় কৰিব পাৰে;

(xiii) স্থানীয় প্ৰাধিকাৰ, চৰকাৰী আৰু বেচৰকাৰী সংগঠনৰ সমৰ্থনত বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে সাম্প্ৰদায়িক প্ৰশিক্ষণ আৰু সতৰ্কতামূলক কাৰ্য্যব্যৱস্থাৰ সুবিধা কৰিব পাৰে;

(xiv) জনসাধাৰণক শীঘ্ৰে সতৰ্কবাণী আৰু সমুচিত তথ্যৰ প্ৰসাৰ কৰাৰ বাবে কলাকৌশলৰ নিৰ্মাণ, পৰিচালনা, পুনৰীক্ষণ আৰু উন্নতি কৰিব পাৰে;

(xv) জিলা স্তৰৰ সাহায্য পৰিকল্পনা আৰু নিৰ্দ্দেশাৱলীৰ প্ৰস্তুত, পুনৰীক্ষণ আৰু উন্নীত কৰিব পাৰে;

(xvi) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সঁহাৰি সমন্বিত কৰিব পাৰে;

(xvii) জিলা স্তৰত চৰকাৰৰ বিভাগ আৰু স্থানীয় প্ৰাধিকাৰে জিলা সাহায্য পৰিকল্পনাৰ অনুসাৰে তেওঁলোকৰ সাহায্য পৰিকল্পনা প্ৰস্তুত কৰা বুলি সুনিশ্চিত কৰিব পাৰে;

(xviii) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ক প্ৰভাৱনীয় সাহায্য ব্যৱস্থা ল'বলৈ জিলা স্তৰত সংশ্লিষ্ট চৰকাৰৰ বিভাগ বা জিলা স্থানীয় পৰিসীমাৰ ভিতৰত কোনো আন প্ৰাধিকাৰৰ বাবে নিৰ্দ্দেশাৱলী প্ৰণনয় কৰিব পাৰে বা সেইবোৰলৈ নিৰ্দ্দেশ দিব পাৰে;

(xix) জিলা স্তৰত থকা চৰকাৰৰ বিভাগ, পৰিনিয়ত নিকায় আৰু বিপৰ্য্যয় ব্যৱস্থাপনত নিয়োজিত হোৱা জিলাত চৰকাৰী বা বেচৰকাৰী সংগঠনৰ উপদেশ, সহায়তা আৰু কাৰ্য্যকলাপ সমন্বিত কৰিব পাৰে;

(xx) জিলাত ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয় অৱস্থাৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে লোৱা ব্যৱস্থা শীঘ্ৰতাৱে আৰু প্ৰভাৱীৰূপে কাৰ্য্যন্বিত কৰা বুলি সুনিশ্চিত কৰিবলৈ জিলাৰ স্থানীয় প্ৰাধিকাৰীক সমন্বিত কৰিব পাৰে বা নিৰ্দ্দেশাৱলী দিব পাৰে;

(xxi) তেওঁলোকৰ কৃত্য কাৰ্য্যান্বিত কৰাৰ বাবে জিলাৰ স্থানীয় প্ৰাধিকাৰক আৱশ্যকীয় কাৰিকৰী সহায়তা বা উপদেশ দিব পাৰে;

(xxii) বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে তাত আৱশ্যকীয় উপবন্ধাৱলী প্ৰণয়ন কৰাৰ উদ্দেশ্যে জিলা স্তৰত চৰকাৰৰ বিভাগ, পৰিনিয়ত প্ৰাধিকাৰ বা স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰস্তুত কৰা উন্নয়নশীল পৰিকল্পনাৰ পুনৰীক্ষণ কৰিব পাৰে;

(xxiii) জিলাৰ কোনো অঞ্চলৰ নিৰ্মাণৰ পৰীক্ষা কৰিব পাৰে আৰু যদিহে এইটো মত হয় যে এনে নিৰ্মাণৰ বাবে বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে প্ৰণয়ন কৰা মান অনুসৰণ নকৰে বা কৰা নাই, তেন্তে, এনে মানসমূহৰ পালনক সুনিশ্চিত কৰিবলৈ আৱশ্যকীয় হোৱা এনে কাৰ্য্যব্যৱস্থা ল'বলৈ সংশ্লিষ্ট প্ৰাধিকাৰক নিৰ্দ্দেশ দিব পাৰে;

(xxiv) কোনো ভীতি প্ৰদৰ্শনৰ ফলত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয় সাহাৰ্য্য কেন্দ্ৰ বা শিবিৰৰূপে ব্যৱহৃত হ'ব পৰা ভৱন বা স্থান চিনাক্ত কৰিব পাৰে আৰু এনে ভৱন বা স্থান পানী যোগান আৰু স্বাস্থ্য ৰক্ষাৰ বাবে ব্যৱস্থা কৰিব পাৰে;

(xxv) সাহায্য আৰু উদ্ধাৰ সামগ্ৰীৰ মজুত বস্তুবোৰ ৰাখিব পাৰে বা এখন কম সময়ৰ জাননীত এনে সামগ্ৰী সহজলভ্য কৰাৰ প্ৰস্তুতিকৰণ সুনিশ্চিত কৰিব পাৰে;

(xxvi) বিপৰ্য্যয় ব্যৱস্থাপনৰ বিভিন্ন বিষয়ৰ সম্পৰ্কে ৰাজ্যিক প্ৰাধিকাৰলৈ তথ্যৰ উপবন্ধ কৰিব পাৰে;

(xxvii) বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে জিলাত তৃণমূল কাৰ্য্য কৰা বেচৰকাৰী সংগঠন আৰু স্বৈচ্ছিক সমাজকল্যাণ সংগঠনৰ অংশগ্ৰহণক উৎসাহিত কৰিব পাৰে;

(xxviii) যাতায়ত ব্যৱস্থা, আৰু বিপৰ্য্যয় ব্যৱস্থাপন অনুশীলন সাময়িকৰূপে কৰাক সুনিশ্চিত কৰিব পাৰে;

(xxix) ৰাজ্য চৰকাৰ বা ৰাজ্যিৰ প্ৰাধিকাৰে ইয়ালৈ সমনুদেশিত কৰা দৰে বা জিলাত বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে ই, আৱশ্যক গণ্য কৰা দৰে, এনে আন কৃত্য সম্পাদন কৰিব পাৰে।

জিলা পৰিকল্পনা। ৩১।(১) ৰাজ্যৰ প্ৰত্যেক জিলাত বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে এটা পৰিকল্পনা থাকিব।

## বিপৰ্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

(২) জিলা পৰিকল্পনাটো, জিলা প্ৰাধিকাৰৰ দ্বাৰা, স্থানীয় প্ৰাধিকাৰৰ সৈতে পৰামৰ্শ কৰাৰ পিছত আৰু ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু ৰাজ্যিক পৰিকল্পনাক অৱধানত ৰাখি, ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা অনুমোদিত কৰিবলৈ প্ৰস্তুত কৰা হ'ব।

(৩) ৰাজ্যিক জিলা পৰিকল্পনাই নিম্নলিখিতসমূহক অন্তৰ্ভুক্ত কৰিব—

(ক) বিভিন্ন প্ৰকাৰৰ বিপৰ্যয়ত ভেদ্য হোৱা জিলাৰ অঞ্চল;

(খ) জিলা স্তৰত চৰকাৰৰ বিভাগ আৰু জিলাৰ স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা বিপৰ্যয়ৰ প্ৰতিৰোধ আৰু হ্ৰাসকৰণৰ বাবে ল'বলগীয়া ব্যৱস্থা;

(গ) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্যয় অৱস্থা বা বিপৰ্যয়ত সঁহাৰি দিবলৈ, জিলা স্তৰৰ চৰকাৰৰ বিভাগ আৰু জিলাৰ স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা ল'বলৈ অপেক্ষিত হোৱা সামৰ্থ্য নিৰ্মাণ আৰু প্ৰস্তুতিৰ ব্যৱস্থা;

(ঘ) বিপৰ্যয়ৰ ফলত সাহায্য পৰিকল্পনা আৰু প্ৰক্ৰিয়া উপবন্ধ কৰাৰ বাবে—

(i) জিলা স্তৰত চৰকাৰৰ বিভাগ আৰু জিলাৰ স্থানীয় প্ৰাধিকাৰৰ দায়িত্বৰ বণ্টন;

(ii) বিপৰ্যয়ত শীঘ্ৰে সঁহাৰি আৰু তাৰ প্ৰতিকাৰ;

(iii) অত্যাৱশ্যকীয় উৎসৰ সংগ্ৰহ;

(iv) পৰিবহণ সংযোগৰ স্থাপনা; আৰু

(v) জনসাধাৰণলৈ তথ্যৰ প্ৰসাৰণ;

(ঙ) ৰাজ্যিক প্ৰাধিকাৰে অপেক্ষিত কৰা এনে আন বিষয়সমূহ।

(৪) জিলা পৰিকল্পনাক বাৰ্ষিকৰূপে পুনৰীক্ষণ আৰু অদ্যাবধি কৰা হ'ব।

(৫) উপ-ধাৰা (২) আৰু (৪)ত নিৰ্দ্দেশিত জিলা পৰিকল্পনাৰ প্ৰতিলিপি, জিলাত চৰকাৰৰ বিভাগলৈ সহজলভ্য কৰা হ'ব।

(৬) জিলা প্ৰাধিকাৰে, জিলা পৰিকল্পনাৰ এটা প্ৰতিলিপি, ৰাজ্যিক প্ৰাধিকাৰলৈ পঠিয়াব যিয়ে ইয়াক ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব।

(৭) জিলা প্ৰাধিকাৰে, সময়ে সময়ে, পৰিকল্পনাৰ প্ৰয়োগৰ পুনৰীক্ষণ কৰিব আৰু জিলাৰ চৰকাৰৰ বিভিন্ন বিভাগলৈ, সেইবোৰৰ প্ৰয়োগৰ বাবে, আৱশ্যক বুলি গণ্য কৰা দৰে এনে নিৰ্দ্দেশ জাৰি কৰিব।

জিলা স্তৰৰ বিভিন্ন প্ৰাধিকাৰৰ পৰিকল্পনা আৰু সেইবোৰৰ প্ৰয়োগ।

৩২। ভাৰত চৰকাৰৰ আৰু জিলা স্তৰৰ ৰাজ্য চৰকাৰৰ প্ৰত্যেক কাৰ্য্যালয় আৰু স্থানীয় প্ৰাধিকাৰে, জিলা প্ৰাধিকাৰৰ পৰ্য্যবেক্ষণৰ সাপেক্ষে,

(ক) নিম্নলিখিতসমূহ বৰ্ণিত কৰি এটা বিপৰ্যয় ব্যৱস্থাপন পৰিকল্পনা প্ৰস্তুত কৰিব, অৰ্থাৎ—

(i) জিলা পৰিকল্পনাত উপবন্ধিত কৰা দৰে আৰু বিভাগ বা সংশ্লিষ্ট এজেঞ্চিলৈ সমনুদেশিত কৰা দৰে এনে প্ৰতিৰোধ আৰু হ্ৰাসকৰণ ব্যৱস্থাৰ বাবে উপবন্ধাৱলী;

(ii) সামৰ্থ্য নিৰ্মাণ আৰু প্ৰস্তুতিৰ সম্বন্ধত ব্যৱস্থা লোৱাৰ বাবে উপবন্ধ যিদৰে জিলা পৰিকল্পনাত প্ৰণয়ন কৰা হৈছে;

(iii) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্যয় অৱস্থা বা বিপৰ্যয়ৰ ফলত, সাহায্য পৰিকল্পনা আৰু প্ৰক্ৰিয়া;

# বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

(খ) স্থানীয় প্ৰাধিকাৰ, সম্প্ৰদায় আৰু আন পণধাৰকক অন্তৰ্ভুক্ত কৰি জিলা স্তৰত সেই আন সংগঠনবোৰৰ সৈতে ইয়াক পৰিকল্পনাৰ প্ৰস্তুতি আৰু প্ৰয়োগৰ সমন্বয় কৰাব;

(গ) পৰিকল্পনা নিয়মিতৰূপে পুনৰীক্ষণ আৰু অদ্যাৱধি কৰিব।

(ঘ) জিলা প্ৰাধিকাৰলৈ, ইয়াৰ বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ আৰু তাৰ কোনো সংশোধনৰ এটা প্ৰতিলিপি দাখিল কৰিব।

জিলা প্ৰাধিকাৰৰ দ্বাৰা অধিগ্ৰহণ।

৩৩। জিলা প্ৰাধিকাৰে, আদেশৰ দ্বাৰা বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে এনে ব্যৱস্থা ল'বলৈ বা ইয়ালৈ প্ৰভাৱীৰূপে সঁহাৰি জনাবলৈ, যেনেদৰে আৱশ্যক হয়, কোনো পদাধিকাৰী বা জিলা স্তৰৰ কোনো বিভাগ বা কোনো স্থানীয় প্ৰাধিকাৰক, অপেক্ষিত কৰিব পাৰে আৰু এনে পদাধিকাৰী বা বিভাগ এনে আদেশ সম্পন্ন কৰিবলৈ বাধ্য হ'ব।

কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সময়ত জিলা প্ৰাধিকাৰৰ ক্ষমতা আৰু কৃত্য।

৩৪। কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়লৈ সঁহাৰি জনোৱাত সম্প্ৰদায়ক সহায়তা, সুৰক্ষা বা সাহায্যৰ উপবন্ধ কৰাৰ প্ৰয়োজনাৰ্থে, জিলা প্ৰাধিকাৰে—

(ক) চৰকাৰৰ কোনো বিভাগ আৰু জিলাৰ স্থানীয় প্ৰাধিকাৰীৰ সহজলভ্য হোৱা উৎসৰ হস্তান্তৰণ আৰু ব্যৱহাৰৰ বাবে নিৰ্দ্দেশ দিব পাৰে;

(খ) ভেদ্য বা ক্ষতিগ্ৰস্ত অঞ্চলত বা অঞ্চলৰ পৰা আৰু অঞ্চলৰ ভিতৰত যানজটৰ নিয়ন্ত্ৰণ আৰু নিষেধ কৰিব পাৰে;

(গ) কোনো ভেদ্য বা ক্ষতিগ্ৰস্ত অঞ্চলত কোনো ব্যক্তিৰ চলাচলত বা তাৰ পৰা প্ৰস্থানত কোনো ব্যক্তিৰ প্ৰৱিষ্টি নিয়ন্ত্ৰণ আৰু নিষেধ কৰিব পাৰে;

(ঘ) ধ্বংসাৱশেষ অপসাৰণ, অন্বেষণ কৰিব আৰু উদ্ধাৰ কাৰ্য্য চলাব পাৰে;

(ঙ) আশ্ৰয়গৃহ, খাদ্য, খোৱাপানী আৰু অত্যাৱশ্যকীয় উপবন্ধ স্বাস্থ্য যতন আৰু সেৱাৰ উপবন্ধ কৰিব পাৰে;

(চ) ক্ষতিগ্ৰস্ত অঞ্চলত জৰুৰী যাতায়াত ব্যৱস্থা স্থাপন কৰিব পাৰে;

(ছ) অ-দাবীকৃত মৰাশৰ পেলাই দিয়াৰ বাবে ব্যৱস্থাপনা কৰিব পাৰে;

(জ) ৰাজ্যৰ চৰকাৰৰ কোনো বিভাগ বা জিলা স্তৰত সেই চৰকাৰৰ অধীনত কোনো প্ৰাধিকাৰ বা নিকায়ক, এনে ব্যৱস্থা ল'বলৈ অনুমোদন জনাব পাৰে যিবোৰ ইয়াৰ মতত আৱশ্যক হয়;

(ঝ) সুসঙ্গত ক্ষেত্ৰত, বিশেষজ্ঞ আৰু পৰামৰ্শদাতাক, উপদেশ দিবলৈ আৰু সহায়তা কৰিবলৈ অপেক্ষিত কৰিব পাৰে যেনেদৰে ই আৱশ্যক বুলি গণ্য কৰে;

(ঞ) কোনো প্ৰাধিকাৰ বা ব্যক্তিৰ পৰা কোনো সা-সুবিধাৰ অনন্য বা অগ্ৰমান্য ব্যৱহাৰ সংগ্ৰহ কৰিব পাৰে;

(ট) অস্থায়ী দলং বা আন আৱশ্যকীয় গাঁথনি নিৰ্মাণ কৰিব পাৰে আৰু জনসাধাৰণৰ আশংকাপূৰ্ণ হোৱা গাঁথনি ধ্বংস কৰিব পাৰে যিয়ে বিপৰ্য্যয়ৰ ক্ষতি গুৰুতৰ কৰিব পাৰে;

(ঠ) বেচৰকাৰী সংগঠনে এটা ন্যায়সঙ্গত বা বৈষম্যমূলক ৰীতিত তেওঁলোকৰ কাৰ্যকলাপ চলোৱাটো সুনিশ্চিত কৰিব পাৰে;

(ড) এনে এটা পৰিস্থিতিত ল'ব লগা বুলি অপেক্ষিত বা আৱশ্যকীয় আন ব্যৱস্থা ল'ব পাৰে।

## অধ্যায়-V

## বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে চৰকাৰৰ দ্বাৰা ব্যৱস্থা

কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা ল'ব।

৩৫। (১) এই অধিনিয়মৰ উপবন্ধৰ সাপেক্ষে, কেন্দ্ৰীয় চৰকাৰে, বিপৰ্য্যয় বা ব্যৱস্থাপনাৰ প্ৰয়োজনাৰ্থে, এনে সকলো ব্যৱস্থা ল'ব, যেনেদৰে ই আৱশ্যক বা সমীচীন বুলি গণ্য হয়।

(২) বিশেষতঃ আৰু উপ-ধাৰা(১)ৰ উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, কেন্দ্ৰীয় চৰকাৰে সেই ধাৰাৰ অধীনত লোৱা ব্যৱস্থাসমূহে, নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ সম্পৰ্কে থকা ব্যৱস্থাবোৰৰ অন্তৰ্ভুক্ত কৰিব পাৰে, অৰ্থাৎ—

(ক) বিপৰ্য্যয় ব্যৱস্থাপনৰ সম্বন্ধত ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগ, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাজ্যিক প্ৰাধিকাৰ, চৰকাৰী আৰু বেচৰকাৰী সংগঠনৰ কাৰ্য্য ব্যৱস্থাৰ সমন্বয় কৰে;

(খ) ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগে তেওঁলোকৰ উন্নয়নশীল পৰিকল্পনা আৰু যোজনাৰ দ্বাৰা বিপৰ্য্যয়ৰ প্ৰতিৰোধ আৰু হ্ৰাসকৰণৰ বাবে থকা ব্যৱস্থাৰ একীকৰণ সুনিশ্চিত কৰে;

(গ) ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ দ্বাৰা বিপৰ্য্যয়ৰ প্ৰতিৰোধ, হ্ৰাসকৰণ, সামৰ্থ্য নিৰ্মাণ আৰু প্ৰস্তুতকৰণৰ বাবে নিধিৰ সমুচিত বণ্টন সুনিশ্চিত কৰে;

(ঘ) ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগে কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ক শীঘ্ৰেই আৰু প্ৰভাৱীৰূপে সাহায্য দিয়াৰ প্ৰস্তুতিৰ বাবে যে আৱশ্যকীয় ব্যৱস্থা লৈছে, তাক সুনিশ্চিত কৰে;

(ঙ) তেওঁলোকৰ দ্বাৰা অনুৰোধ কৰা বা অন্যথা ইয়াৰ দ্বাৰা সমুচিত গণ্য হোৱাৰ দৰে, ৰাজ্য চৰকাৰক সমন্বিত আৰু সহায়তা কৰা;

(চ) নৌবাহিনী, সেনাবাহিনী আৰু বায়ু বাহিনী, সংঘৰ আন সশস্ত্ৰ বাহিনী বা আন অসামৰিক কৰ্ম্মীবৃন্দৰ বিন্যাস কৰে, যেনেদৰে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে অপেক্ষিত কৰা হয়;

(ছ) এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ৰাষ্ট্ৰসংঘৰ এজেঞ্চি, আন্তৰ্জাতিক সংগঠন আৰু বিদেশী ৰাজ্যৰ চৰকাৰক সমন্বিত কৰে;

(জ) বিপৰ্য্যয় ব্যৱস্থাপনৰ ক্ষেত্ৰত গৱেষণা, প্ৰশিক্ষণ আৰু উন্নয়নশীল কাৰ্যক্ৰমৰ বাবে সংস্থা স্থাপন কৰে;

(ঝ) এই অধিনিয়মৰ উপবন্ধাৱলীৰ প্ৰভাৱী প্ৰয়োগক সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে, ই আৱশ্যকীয় সমীচীন বুলি গণ্য কৰা আন বিষয়সমূহ।

(৩) কেন্দ্ৰীয় চৰকাৰে, গুৰুতৰ বিপৰ্য্যয়ৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা আন দেশক এনে সাহায্যৰ বৃদ্ধি কৰিব পাৰে, যেনেদৰে ই সমীচীন বুলি গণ্য কৰে।

ভাৰত চৰকাৰৰ মন্ত্ৰালয় আৰু বিভাগৰ দায়িত্ব।

৩৬। ভাৰত চৰকাৰৰ প্ৰত্যেক মন্ত্ৰালয় বা বিভাগৰ নিম্নলিখিত দায়িত্বসমূহ থাকিব—

(ক) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসৰণত বিপৰ্য্যয়ৰ প্ৰতিৰোধ, হ্ৰাসকৰণ, প্ৰস্তুতি আৰু সামৰ্থ্য নিৰ্মাণৰ বাবে আৱশ্যকীয় ব্যৱস্থা ল'ব;

(খ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসৰণত ইয়াৰ উন্নয়নশীল পৰিকল্পনা আৰু যোজনাক একীকৃত কৰা আৰু বিপৰ্য্যয়ৰ প্ৰতিৰোধ আৰু হ্ৰাসকৰণৰ বাবে ব্যৱস্থা ল'বলৈ;

(গ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ নিৰ্দ্দেশাৱলী বা এইমৰ্ম্মে ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ নিৰ্দ্দেশনাৰ অনুসৰণত কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ক প্ৰভাৱীৰূপে আৰু শীঘ্ৰতাৰে সঁহাৰি জনাবলৈ;

(ঘ) বিপৰ্য্যয়ৰ প্ৰতিৰোধ, হ্ৰাসকৰণ বা প্ৰস্তুতিৰ বাবে, তাত প্ৰয়োজনীয় উপবন্ধ একীকৃত কৰাৰ উদ্দেশ্যে ইয়াৰ দ্বাৰা প্ৰশামিত অধিনিয়মিতি, ইয়াৰ আঁচনি, নিয়ম আৰু বিনিয়মৰ পুনৰীক্ষণ কৰিবলৈ;

(ঙ) বিপৰ্য্যয়ৰ প্ৰতিৰোধ, হ্ৰাসকৰণ, সামৰ্থ্য নিৰ্মাণ আৰু প্ৰস্তুতকৰণৰ ব্যৱস্থাৰ বাবে নিধিৰ আবণ্টন কৰিবলৈ;

(চ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাজ্য চৰকাৰলৈ সহায়তা উপবন্ধ কৰিবলৈ—

(i) হ্ৰাসকৰণ, প্ৰস্তুতকৰণ আৰু সাহায্য পৰিকল্পনা, সামৰ্থ্য নিৰ্মাণ, ডাটা সংগ্ৰহৰ স্থগিতকৰণ আৰু বিপৰ্য্যয় ব্যৱস্থাপনৰ সম্বন্ধত কৰ্ম্মীৰ চিনাক্তকৰণ আৰু প্ৰশিক্ষণ;

(ii) ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ আৰু সাহায্য সম্পন্ন কৰা;

(iii) কোনো বিপৰ্য্যয়ত হোৱা ক্ষতিৰ নিৰ্দ্ধাৰণ;

(iv) পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণৰ কাৰ্য্য চলোৱা;

(ছ) নিম্নলিখিত ব্যৱস্থাবোৰক অন্তৰ্ভুক্ত কৰি, কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ক শীঘ্ৰতাৰে আৰু যথেষ্ট সাহায্য দিয়াৰ প্ৰয়োজনাৰ্থে ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক, সমিতি বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিলৈ ইয়াৰ উৎসবোৰ সহজলভ্য কৰিবলৈ—

(i) বিপদাপন্ন বা ক্ষতিগ্ৰস্ত অঞ্চলত জৰুৰীকালীন যোগাযোগ উপবন্ধ কৰা;

(ii) ক্ষতিগ্ৰস্ত অঞ্চললৈ আৰু ক্ষতিগ্ৰস্ত অঞ্চলৰ পৰা কৰ্ম্মী আৰু সাহায্য বস্তুৰ পৰিবহণ কৰা;

(iii) নিষ্ক্ৰমন উদ্ধাৰ, অস্থায়ী আশ্ৰয় গৃহ বা আন তাৎক্ষণিক সাহায্যৰ উপবন্ধ কৰা;

(iv) অস্থায়ী দলং, পকীঘাট আৰু অৱতৰণ স্থান নিৰ্মাণ কৰা;

(v) ক্ষতিগ্ৰস্ত অঞ্চলত খোৱাপানী, অত্যাৱশ্যকীয় সা-সুবিধা, স্বাস্থ্যৰ যত্ন আৰু সেৱাৰ উপবন্ধ কৰা;

(জ) বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে এনে আন কাৰ্য্য ব্যৱস্থা ল'ব যেনেদৰে ই আৱশ্যক বিবেচনা কৰে।

**ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা।**

৩৭। (১) ভাৰত চৰকাৰৰ প্ৰত্যেক মন্ত্ৰালয় বা বিভাগে—

(ক) নিম্নলিখিত সবিশেষবোৰ বিনিৰ্দ্দিষ্ট কৰি এটা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা প্ৰস্তুত কৰিব, অৰ্থাৎ—

(i) ৰাষ্ট্ৰীয় পৰিকল্পনা অনুসাৰে বিপৰ্য্যয়ৰ প্ৰতিৰোধ আৰু হ্ৰাসকৰণৰ বাবে ইয়াৰ দ্বাৰা ল'বলগীয়া ব্যৱস্থাসমূহ;

(ii) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ নিৰ্দ্দেশাৱলীৰ অনুসাৰে ইয়াৰ উন্নয়নমূলক পৰিকল্পনাত হ্ৰাসকৰণ ব্যৱস্থাৰ একীকৰণৰ সম্পৰ্কে থকা বিনিৰ্দ্দেশসমূহ;

(iii) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ক সংব্যৱহৃত কৰিবলৈ, প্ৰস্তুতিকৰণ আৰু সামৰ্থ্য নিৰ্মাণৰ সম্বন্ধত, ইয়াৰ ভূমিকা আৰু দায়িত্বসমূহ;

(iv) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয় সম্বন্ধে শীঘ্ৰতাৰে আৰু যথেষ্টভাৱে সাহায্য দিয়াৰ সম্বন্ধত ইয়াৰ ভূমিকা আৰু দায়িত্ব;

(v) উপ-খণ্ড (iii) আৰু (iv)ত বিনিৰ্দ্দিষ্ট ভূমিকা আৰু দায়িত্ব সম্পাদন কৰিবলৈ ইয়াৰ প্ৰস্তুতকৰণৰ বৰ্তমান অৱস্থা;

(vi) উপ-খণ্ড (iii) আৰু (iv)ত বিনিৰ্দ্দিষ্ট কৰা ইয়াৰ দায়িত্ব সম্পাদন কৰিবলৈ, ইয়াক সমৰ্থৱান কৰিবলৈ অপেক্ষিত হোৱা ব্যৱস্থা;

(খ) খণ্ড (ক)ত নিৰ্দ্দেশিত পৰিকল্পনা বাৰ্ষিকভাৱে পুনৰীক্ষণ আৰু অদ্যাৱধি কৰিব;

(গ) খণ্ড (ক) বা যথাস্থিতি খণ্ড (খ)ত নিৰ্দ্দেশিত পৰিকল্পনাৰ এটা প্ৰতিলিপি, কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব, যাক চৰকাৰে ৰাষ্ট্ৰীয় প্ৰাধিকাৰলৈ, ইয়াৰ অনুমোদনৰ বাবে, তাৰ এটা প্ৰতিলিপি প্ৰেৰণ কৰিব।

(২) ভাৰত চৰকাৰৰ প্ৰত্যেক মন্ত্ৰালয় বা বিভাগে—

(ক) যেতিয়া উপ-ধাৰা (১)ৰ খণ্ড (ক)ৰ অধীনত, বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা প্ৰস্তুত কৰি থকা হয়, তাত বিনিৰ্দ্দিষ্ট কৰা কাৰ্য্যকলাপৰ বিত্ত পোষণৰ বাবে উপবন্ধ কৰিব;

(খ) উপ-ধাৰা (১)ৰ খণ্ড (ক)ত নিৰ্দ্দেশিত পৰিকল্পনাৰ প্ৰয়োগৰ সম্বন্ধে, এটা স্থিতিৰ প্ৰতিবেদন ৰাষ্ট্ৰীয় প্ৰাধিকাৰলৈ প্ৰদান কৰিব যিদৰে আৰু যেতিয়া ইয়াৰ দ্বাৰা অপেক্ষিত কৰা হয়।

ৰাজ্য চৰকাৰে ব্যৱস্থা ল'ব।

৩৮। (১) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে প্ৰত্যেক ৰাজ্য চৰকাৰে, বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰয়োজনাৰ্থে, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীত বিনিৰ্দ্দিষ্ট কৰা সকলো ব্যৱস্থা আৰু আন অতিৰিক্ত ব্যৱস্থা ল'ব, যিদৰে ই আৱশ্যক আৰু সমীচীন গণ্য কৰে।

(২) উপ-ধাৰা (১)ৰ অধীনত ৰাজ্য চৰকাৰে ল'ব পৰা ব্যৱস্থাসমূহে নিম্নলিখিত বিষয়বোৰৰ সকলো বা যিকোনোটোৰ সম্বন্ধে থকা ব্যৱস্থাসমূহক অন্তৰ্ভুক্ত কৰে ঃ—

(ক) ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ, ৰাজ্যিক প্ৰাধিকাৰ, জিলা প্ৰাধিকাৰ, স্থানীয় প্ৰাধিকাৰ আৰু আন বেচৰকাৰী সংগঠনৰ কাৰ্য্যকলাপৰ সমন্বয়;

(খ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি আৰু ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি আৰু জিলা প্ৰাধিকাৰ আদিয়ে কৰিব পৰা বিপৰ্য্যয়ত সমন্বয় আৰু সহায়তা;

(গ) তেওঁলোকৰ দ্বাৰা অনুৰোধ কৰাৰ দৰে বা ইয়াৰ দ্বাৰা সমুচিত গণ্য কৰা অন্যথা, বিপৰ্য্যয় ব্যৱস্থাপনত ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ সৈতে সমন্বয় আৰু সহায়তা;

(ঘ) ৰাজ্যিক পৰিকল্পনা আৰু জিলা পৰিকল্পনাৰ উপবন্ধৰ অনুসাৰে ৰাজ্যৰ চৰকাৰৰ বিভাগৰ দ্বাৰা বিপৰ্য্যয়ৰ প্ৰতিৰোধ, হ্ৰাসকৰণ, সামৰ্থ্য-নিৰ্মাণ আৰু প্ৰস্তুতকৰণৰ ব্যৱস্থাৰ বাবে নিধিৰ আবণ্টন;

(ঙ) ৰাজ্যৰ চৰকাৰৰ বিভাগৰ দ্বাৰা, তেওঁলোকৰ উন্নয়নশীল পৰিকল্পনা আৰু যোজনাত বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা হ্ৰাসকৰণৰ বাবে ব্যৱস্থাৰ একীকৰণ, সুনিশ্চিতকৰণ;

(চ) ৰাজ্যিক উন্নয়ন পৰিকল্পনাৰ একীকৃত কৰা, বিভিন্ন বিপৰ্য্যয়ত ৰাজ্যৰ বিভিন্ন ভাগত হোৱা বিপদাশঙ্কা হ্ৰাস কৰিবলৈ বা কমাবলৈ;

(ছ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসাৰে ৰাজ্যৰ বিভিন্ন বিভাগৰ দ্বাৰা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰস্তুতি সুনিশ্চিত কৰা;

(জ) বিপদাপন্ন সম্প্ৰদায়ৰ স্তৰলৈ পৰ্য্যাপ্ত সতৰ্কতা পদ্ধতিৰ স্থাপন কৰা;

(ঝ) ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ আৰু জিলা প্ৰাধিকাৰে সমুচিত প্ৰস্তুতকৰণ ব্যৱস্থা গ্ৰহণ কৰা সুনিশ্চিত কৰা;

(ঞ) ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ত, ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ উৎসবোৰ, কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ত কাৰ্য্যক্ষম স্থান, উদ্ধাৰ আৰু সাহায্যৰ প্ৰয়োজনাৰ্থে, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা যথাস্থিতি, জিলা প্ৰাধিকাৰলৈ সহজলভ্য কৰাটো সুনিশ্চিত কৰে;

(ট) কোনো বিপৰ্য্যয়ৰ ভুক্তভোগীলৈ পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণৰ সহায়তাৰ উপবন্ধ কৰা; আৰু

(ঠ) এই অধিনিয়মৰ উপবন্ধাৱলীৰ প্ৰভাৱমূলক প্ৰয়োগ সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে, এনে আন বিষয় যিদৰে ই আৱশ্যক বা সমীচীন বুলি গণ্য কৰে।

ৰাজ্য চৰকাৰৰ বিভাগবোৰৰ দায়িত্ব।

৩৯। এখন ৰাজ্যৰ চৰকাৰৰ প্ৰত্যেক বিভাগৰ নিম্নলিখিত দায়িত্বসমূহ থাকিব—

(ক) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ আৰু ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুসাৰে বিপৰ্য্যয়ৰ প্ৰতিৰোধ, হ্ৰাসকৰণ, প্ৰস্তুতকৰণ আৰু সামৰ্থ্য নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা;

(খ) ইয়াৰ উন্নয়নশীল পৰিকল্পনাক আৰু যোজনা একীকৃত কৰিবলৈ বিপৰ্য্যয়ৰ প্ৰতিৰোধ আৰু হ্ৰাসকৰণৰ বাবে ব্যৱস্থা লোৱা;

(গ) বিপৰ্য্যয়ৰ প্ৰতিৰোধ, হ্ৰাসকৰণ, সামৰ্থ্য-নিৰ্মাণ আৰু প্ৰস্তুতকৰণৰ বাবে নিধিৰ আবণ্টন কৰা;

(ঘ) ৰাজ্যিক পৰিকল্পনাৰ অনুসাৰে, আৰু ৰাষ্ট্ৰীয় কাৰ্য্যনিবাহক সমিতি আৰু ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ নিৰ্দ্দেশাৱলীৰ বা নিৰ্দ্দেশনা অনুসাৰে কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ক বাস্তৱিকতে আৰু শীঘ্ৰতাৰে সঁহাৰি জনাব;

(ঙ) বিপৰ্য্যয়ৰ প্ৰতিৰোধ, হ্ৰাসকৰণ বা প্ৰস্তুতিৰ বাবে আৱশ্যকীয় উপবন্ধ তাত সন্নিবিষ্ট কৰাৰ উদ্দেশ্যে, ইয়াৰ দ্বাৰা প্ৰশাসিত অধিনিয়মিতি, ইয়াৰ আঁচনি, নিয়ম আৰু বিনিয়মাৱলী পুনৰীক্ষণ কৰা;

(চ) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি আৰু জিলা প্ৰাধিকাৰৰ দ্বাৰা, অপেক্ষিত কৰা দৰে নিম্নলিখিতবোৰলৈ সহায়তাৰ উপবন্ধ কৰিবলৈ—

(i) হ্ৰাসকৰণ, প্ৰস্তুতকৰণ আৰু সাহায্য পৰিকল্পনা, সামৰ্থ্য নিৰ্মাণ, ডাটা সংগ্ৰহ আৰু বিপৰ্য্যয় ব্যৱস্থাপনৰ সম্বন্ধত কৰ্ম্মচাৰীৰ চিনাক্তকৰণ আৰু প্ৰশিক্ষণ;

(ii) কোনো বিপৰ্য্যয়ত হোৱা ক্ষতিৰ নিৰ্দ্ধাৰণ;

(iii) পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণৰ সম্পন্ন;

(ছ) জিলা স্তৰত, জিলা পৰিকল্পনাৰ প্ৰয়োগৰ বাবে ইয়াৰ প্ৰাধিকাৰৰ দ্বাৰা, ৰাজ্যিক প্ৰাধিকাৰৰ পৰামৰ্শসহ উৎসসমূহৰ বাবে উপবন্ধ কৰা;

(জ) ৰাজ্যত হোৱা কোনো বিপৰ্য্যয়ত শীঘ্ৰতাৰে আৰু বাস্তৱিকতে সাহায্য দিয়াৰ প্ৰয়োজনাৰ্থে, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা জিলা প্ৰাধিকাৰলৈ, নিম্নলিখিতসমূহৰ বাবে থকা ব্যৱস্থাসমূহ অন্তৰ্ভুক্ত কৰি, ইয়াৰ উৎসবোৰক সহজলভ্য কৰিবলৈ—

(i) বিপদাপন্ন বা ক্ষতিগ্ৰস্ত অঞ্চলত জৰুৰী পৰিবহণ ব্যৱস্থাৰ উপবন্ধ কৰা।

(ii) ক্ষতিগ্ৰস্ত অঞ্চললৈ বা ক্ষতিগ্ৰস্ত অঞ্চলৰ পৰা কৰ্মী আৰু সাহায্য সামগ্ৰীৰ পৰিবহণ কৰা;

(iii) নিষ্ক্ৰমণ, উদ্ধাৰ, অস্থায়ী আশ্ৰয় শিবিৰ বা আন শীঘ্ৰে সাহায্যৰ উপবন্ধ কৰা;

(iv) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ পৰা ব্যক্তি বা পশুধনৰ নিষ্ক্ৰমণ কৰা;

(v) অস্থায়ী দলং, পকীঘাট আৰু অৱতৰণ স্থানৰ নিৰ্মাণ কৰা;

(vi) ক্ষতিগ্ৰস্ত অঞ্চলত খোৱা পানী, অত্যাৱশ্যকীয় ব্যৱস্থা, স্বাস্থ্য যত্ন আৰু সেৱাৰ উপবন্ধ কৰা;

(ঝ) বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে প্ৰয়োজনীয় এনে আন ব্যৱস্থা।

ৰাজ্যৰ বিভাগবোৰৰ বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা।

৪০। ৰাজ্যিক প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত নিৰ্দ্দেশাৱলীৰ অনুপালনত, ৰাজ্য চৰকাৰৰ প্ৰত্যেক বিভাগে—

(ক) এটা বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনা প্ৰস্তুত কৰিব যিয়ে নিম্নলিখিতবোৰ প্ৰণয়ন কৰিব ঃ—

(i) বিপৰ্য্যয়ৰ প্ৰকাৰসমূহ যিবোৰলৈ ৰাজ্যৰ বিভিন্ন ভাগ বিপদাপন্ন হয়;

(ii) বিভাগৰ দ্বাৰা উন্নয়ন পৰিকল্পনা আৰু কাৰ্য্যক্ৰমৰ সৈতে বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা ইয়াৰ প্ৰভাৱৰ হ্ৰাসকৰণ বা উভয়ৰ বাবে কৰা কৌশলৰ একীকৰণ কৰা;

(iii) কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সময়ত ৰাজ্যৰ বিভাগৰ ভূমিকা আৰু দায়িত্ব আৰু কৃত্য সম্পাদন কৰিবলৈ অপেক্ষিত হোৱা জৰুৰীকালীন সমৰ্থন;

(iv) উপ-খণ্ড (iii)ৰ অধীনত এনে ভূমিকা বা দায়িত্ব বা জৰুৰীকালীন সমৰ্থন কৃত্য সম্পাদন কৰিবলৈ ইয়াৰ প্ৰস্তুতিকৰণৰ বৰ্তমান স্থিতি;

(v) ধাৰা ৩৭ৰ অধীনত ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ তেওঁলোকৰ দায়িত্ববোৰ নিৰ্বহন কৰিবলৈ সমৰ্থবান কৰাৰ বাবে ইয়াক প্ৰভাৱী কৰিবলৈ, প্ৰস্তাৱিত সামৰ্থ্য-নিৰ্মাণ আৰু প্ৰস্তুতকৰণ ব্যৱস্থা;

(খ) খণ্ড (ক)ত নিৰ্দ্দেশিত পৰিকল্পনা বাৰ্ষিকভাৱে পুনৰীক্ষণ আৰু অদ্যাৱধি কৰা; আৰু

(গ) খণ্ড (ক) যথাস্থিতি খণ্ড (খ)ত নিৰ্দ্দেশিত পৰিকল্পনাৰ এটা প্ৰতিলিপি ৰাজ্যিক প্ৰাধিকাৰলৈ প্ৰেৰণ কৰা।

(২) ৰাজ্য চৰকাৰৰ প্ৰত্যেক বিভাগে যেতিয়া উপ-ধাৰা (১)ৰ অধীনত পৰিকল্পনা প্ৰস্তুত কৰি থাকে, তাত বিনিৰ্দ্দিষ্ট কৰা কাৰ্য্যকলাপৰ বিত্ত পোষণৰ বাবে উপবন্ধাৱলী প্ৰণয়ন কৰিব।

(৩) ৰাজ্য চৰকাৰৰ প্ৰত্যেক বিভাগে, উপ-ধাৰা (১)ত নিৰ্দ্দেশিত বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাৰ প্ৰয়োগৰ লক্ষ্য ৰাখি, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিলৈ প্ৰয়োগ স্থিতি এখন প্ৰতিবেদন দিব।

## অধ্যায়-VI
## স্থানীয় প্ৰাধিকাৰ

স্থানীয় প্ৰাধিকাৰৰ কৃত্য।

৪১। (১) জিলা প্ৰাধিকাৰৰ নিৰ্দ্দেশৰ অধীনত, এটা স্থানীয় প্ৰাধিকাৰে—

(ক) ইয়াৰ পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দ, বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে, প্ৰশিক্ষণপ্ৰাপ্ত বুলি সুনিশ্চিত কৰিব;

(খ) বিপৰ্য্যয় ব্যৱস্থাপনৰ সম্বন্ধত থকা উৎসবোৰ, কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ৰ সময়ত ব্যৱহাৰৰ বাবে সহজে লাভ কৰিব পৰা দৰে এনেভাৱে পৰিচালিত হোৱা বুলি সুনিশ্চিত কৰিব;

(গ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাজ্যিক প্ৰাধিকাৰ আৰু জিলা প্ৰাধিকাৰৰ দ্বাৰা বিপৰ্য্যয়ৰ প্ৰতিৰোধ আৰু হ্ৰাসকৰণৰ বাবে বৰ্ণিত অনুৰূপ মানক আৰু বিনিৰ্দ্দেশবোৰৰ অধীনত বা অধিকাৰিতাৰ ভিতৰত সকলো নিৰ্মাণ আঁচনি হয়নে সুনিশ্চিত কৰিব;

(ঘ) ৰাজ্যিক পৰিকল্পনা আৰু জিলা পৰিকল্পনা অনুসাৰে প্ৰভাৱিত অঞ্চলত সাহায্য, পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণ কাৰ্য্যকলাপ চলাব।

(২) স্থানীয় প্ৰাধিকাৰে, বিপৰ্য্যয় ব্যৱস্থাপনৰ বাবে আৱশ্যকীয় এনে আন ব্যৱস্থা ল'ব।

## অধ্যায়-VII
## ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন সংস্থা

ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন সংস্থা।

৪২। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত, অধিসূচনা দি, এইমৰ্ম্মে নিয়ত কৰা এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ ৰাষ্ট্ৰীয় বিপৰ্য্যয়ত ব্যৱস্থাপন সংস্থা নামেৰে এটা প্ৰতিষ্ঠান গঠন কৰিব।

(২) ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন ৰাষ্ট্ৰীয় সংস্থা, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে সংখ্যক সদস্যৰে গঠিত হ'ব।

(৩) ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন সংস্থাৰ সদস্যৰ পদাৱধি আৰু তেওঁলোকৰ মাজৰ পদৰিক্তি আৰু এনে পদৰিক্তি পূৰণৰ ৰীতি বিহিত কৰা দৰে হ'ব।

(৪) ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপনৰ সংস্থাৰ এটা শাসকীয় নিকায় থাকিব, যিটো বিহিত কৰা এনে ৰীতিত কেন্দ্ৰীয় চৰকাৰে, বিপৰ্য্যয় ব্যৱস্থাপন ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ সদস্যৰ মাজৰ পৰা, গঠন কৰিব।

(৫) ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন সংস্থাৰ শাসকীয় নিকায়ে, বিনিয়মাৱলীৰ দ্বাৰা বিহিত কৰা দৰে এনে ক্ষমতা কাৰ্যকৰী আৰু এনে কৃত্য নিৰ্বহন কৰিব।

(৬) শাসকীয় নিকায়ৰ দ্বাৰা, ইয়াৰ ক্ষমতাৰ কাৰ্যকৰীকৰণত আৰু ইয়াৰ কৃত্যৰ নিৰ্বহনত অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া আৰু শাসকীয় নিকায়ৰ পদাৱধি আৰু ইয়াৰ সদস্যসমূহৰ মাজত হোৱা পদৰিক্তি পূৰণৰ ৰীতি, বিনিয়মাৱলীৰ দ্বাৰা বিহিত কৰা দৰে হ'ব।

(৭) এই ধাৰাৰ অধীনত বিনিয়মাৱলী প্ৰণয়ন নকৰালৈকে, কেন্দ্ৰীয় চৰকাৰে এনে বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে; আৰু এনেদৰে প্ৰণয়ন কৰা কোনো বিনিয়ম ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন সংস্থাই ইয়াৰ ক্ষমতাৰ প্ৰয়োগত, পৰিৱৰ্তিত বা প্ৰত্যাহাৰ কৰিব পাৰে।

(৮) এই অধিনিয়মৰ উপৱন্ধাৱলীৰ সাপেক্ষে, ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন সংস্থাই, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰণীত বিস্তৃত পলিচী আৰু নিৰ্দ্দেশাৱলীৰ অন্তৰ্গত কৃত্য কৰিব আৰু বিপৰ্য্যয় ব্যৱস্থাপন আঁচনি, প্ৰতিষেধক কাৰ্য্যপ্ৰণালী আৰু হ্ৰাসকৰণ ব্যৱস্থাৰ সম্বন্ধিত বিপৰ্য্যয় ব্যৱস্থাপন, দস্তাৱেজীকৰণ আৰু উন্নয়নৰ অঞ্চলত প্ৰশিক্ষণ আৰু গৱেষণা পৰিকল্পনা আৰু উন্নীতকৰণৰ বাবে দাবী হ'ব।

(৯) উপ-ধাৰা ৮ত অন্তৰ্বিষ্ট উপৱন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, ৰাষ্ট্ৰীয় সংস্থাই ইয়াৰ কৃত্যৰ নিৰ্বহনৰ বাবে—

(ক) প্ৰশিক্ষণ মাপাঙ্কৰ উন্নতি, বিপৰ্য্যয় ব্যৱস্থাপনত গৱেষণা আৰু দস্তাৱেজীকৰণ আৰু প্ৰশিক্ষণ কাৰ্য্যক্ৰম উন্নয়ন আৰু সংগঠন কৰিব পাৰে;

(খ) বিপৰ্যয় ব্যৱস্থাপনৰ সকলো বিষয়ক অন্তৰ্গত কৰি সৰ্বতোমুখী মানৰ উৎস উন্নয়ন পৰিকল্পনা উদ্ভাৱন আৰু প্ৰয়োগ কৰিব পাৰে;

(গ) ৰাষ্ট্ৰীয় স্তৰৰ আঁচনি প্ৰণয়নত সহায়তাৰ উপবন্ধ কৰিব পাৰে;

(ঘ) চৰকাৰী কৃত্যকৰণ অন্তৰ্ভুক্ত কৰি পণধাৰকৰ বাবে প্ৰশিক্ষণ আৰু গৱেষণা কাৰ্যক্ৰমৰ উন্নয়নৰ বাবে প্ৰশিক্ষণ আৰু গৱেষণাক অপেক্ষিত কৰা সহায়তা উপবন্ধ কৰিব পাৰে আৰু ৰাজ্যিক স্তৰৰ প্ৰশিক্ষণ সংস্থাৰ বিশেষ বৃত্তিধাৰী সদস্যক প্ৰশিক্ষণ দিব পাৰে;

(ঙ) ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক প্ৰশিক্ষণ সংস্থাক ৰাজ্যিক স্তৰৰ আঁচনি, কূটনীতি, বিপৰ্যয় ব্যৱস্থাপন, মূল নীতিত সহায়তা আৰু কোনো অন্য সহায়তা উপবন্ধ কৰিব পাৰে যিদৰে ৰাজ্য চৰকাৰ বা ৰাজ্যিক প্ৰশিক্ষণ সংস্থাৰ দ্বাৰা ইয়াৰ কৃত্য অসামৰিক সমিতি সদস্য, নিগমিত খণ্ড আৰু লোক নিৰ্বাচিত প্ৰতিনিধিসকলক অন্তৰ্ভুক্ত কৰি পণধাৰকক চৰকাৰৰ সামৰ্থ্য-নিৰ্ম্মাণৰ কাৰণে অপেক্ষিত কৰা হয়;

(চ) শৈক্ষিক আৰু বৃত্তিমূলক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি বিপৰ্যয় ব্যৱস্থাপনৰ বাবে শৈক্ষিক আচবাবৰ উন্নয়ন কৰিব পাৰে;

(ছ) মহাবিদ্যালয় বা বিদ্যালয় শিক্ষক আৰু ছাত্ৰ, কাৰিকৰী কৰ্ম্মচাৰী আৰু গুৰুতৰ আশংকা হ্ৰাসকৰণ, প্ৰস্তুতকৰণ আৰু সাহায্য ব্যৱস্থাৰ সৈতে জড়িত আন কৰ্ম্মচাৰীক অন্তৰ্ভুক্ত কৰি পণধাৰকৰ মাজৰ পৰা সৰ্তকতা উন্নীত কৰিব পাৰে।

(জ) পূৰ্বোক্ত বিষয় উন্নীত কৰিবলৈ দেশৰ ভিতৰত বা বাহিৰত শৈক্ষিক পাঠ্যক্ৰম, বৈঠক, ভাষণ, অধ্যয়ন চক্ৰ পাতিব, সংগঠিত কৰিব আৰু সুচল কৰিব পাৰে।

(ঝ) পত্ৰিকা, গৱেষণাপত্ৰ আৰু কিতাপৰ প্ৰকাশনৰ বাবে গ্ৰহণ আৰু উপবন্ধ কৰিব পাৰে আৰু উপৰোক্ত বিষয়ৰ পৃষ্ঠপোষকতাত গ্ৰন্থাগাৰ স্থাপন আৰু পৰিচালনা কৰিব পাৰে;

(ঞ) উপৰোক্ত বিষয়সমূহৰ প্ৰাপ্তিত অনুকূল বা আনুষঙ্গিক হোৱা এনে আন সকলো বিধিপূৰ্ণ কাৰ্য্য কৰিব পাৰে; আৰু

(ট) কেন্দ্ৰীয় চৰকাৰে ইয়ালৈ সমনুদেশিত কৰা দৰে এনে আন কৃত্য হাতত ল'ব পাৰে।

ৰাষ্ট্ৰীয় সংস্থাৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰী।

৪৩। কেন্দ্ৰীয় চৰকাৰে, ইয়াৰ কৃত্য সম্পন্ন কৰাৰ বাবে ৰাষ্ট্ৰীয় বিপৰ্য্যয় ব্যৱস্থাপন সংস্থালৈ এনে পদাধিকাৰী, পৰামৰ্শদাতা আৰু আন কৰ্ম্মচাৰীক উপবন্ধ কৰিব, যেনেদৰে ই, আৱশ্যক বিবেচনা কৰে।

## অধ্যায়-VIII
## ৰাষ্ট্ৰীয় বিপৰ্য্যয় সাহায্য বাহিনী

ৰাষ্ট্ৰীয় বিপৰ্য্যয় সাহায্য বাহিনী।

৪৪। (১) ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ত বিশেষভাৱে সাহায্য দিয়াৰ প্ৰয়োজনাৰ্থে এটা ৰাষ্ট্ৰীয় বিপৰ্য্যয় বাহিনী গঠন কৰা হ'ব।

(২) এই অধিনিয়মৰ উপৱন্ধাৱলীৰ সাপেক্ষে বাহিনী এনে ৰীতিত আৰু তাত থকা আনুশাসনিক উপবন্ধাৱলী অন্তৰ্ভুক্ত কৰি, বাহিনীৰ সদস্যৰ সেৱাৰ চৰ্ত্তাৱলী, বিহিত কৰা দৰে গঠন কৰা হ'ব।

নিয়ন্ত্ৰণ, নিৰ্দ্দেশ, ইত্যাদি।

৪৫। বাহিনীৰ সাধাৰণ অধীক্ষণ, নিৰ্দেশ আৰু নিয়ন্ত্ৰণ, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা ন্যস্ত আৰু সম্পন্ন কৰা হ'ব আৰু বাহিনীৰ আদেশ আৰু পৰ্য্যবেক্ষণ, ৰাষ্ট্ৰীয় বিপৰ্য্যয় সাহায্য বাহিনীৰ মহানিৰ্দেশক ৰূপে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত এজন পদাধিকাৰীক ন্যস্ত কৰা হ'ব।

## অধ্যায়-IX
## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

ৰাষ্ট্ৰীয় বিপৰ্য্যয় সাহায্য নিধি।

৪৬। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয় আঁতৰ কৰাৰ বাবে, ৰাষ্ট্ৰীয় বিপৰ্য্যয় সাহায্য নিধি নামেৰে নিধি গঠন কৰিব পাৰে আৰু তাত নিম্নলিখিতসমূহ জমা দিয়া হ'ব—

(ক) এটা ধনৰাশি যিটো সংসদে বিধিৰ দ্বাৰা এইমৰ্ম্মে সম্যক বিনিয়োজন কৰাৰ পিচত, কেন্দ্ৰীয় চৰকাৰে উপবন্ধ কৰিব পাৰে;

(খ) কোনো মঞ্জুৰী যিটো কোনো ব্যক্তি বা সংস্থাৰ দ্বাৰা বিপৰ্য্যয় ব্যৱস্থাপনৰ প্ৰয়োজনাৰ্থে দিয়া হয়।

(২) ৰাষ্ট্ৰীয় বিপৰ্য্যয় সাহায্য নিধি, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ পৰামৰ্শসহ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা নিৰ্দ্দেশাৱলীৰ অনুসৰণত, জৰুৰী সঁহাৰি সাহায্য আৰু পুনৰ সংস্থাপনৰ বাবে হোৱা খৰচ বহন কৰাৰ বাবে প্ৰয়োগ কৰিবলৈ, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিলৈ, সহজলভ্য কৰা হ'ব।

ৰাষ্ট্ৰীয় বিপৰ্য্যয় প্ৰশমন নিধি।

৪৭। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি কেৱল প্ৰশাসনৰ প্ৰয়োজনাৰ্থে, আঁচনিসমূহৰ বাবে ৰাষ্ট্ৰীয় বিপৰ্য্যয় প্ৰশমন নিধি নামেৰে এটা নিধি গঠন কৰিব পাৰে আৰু তাত সংসদে বিধিৰ দ্বাৰা এই মৰ্ম্মে সম্যক বিনিয়োজন কৰাৰ পিচত, কেন্দ্ৰীয় চৰকাৰে, এনে ধনৰাশিৰ উপবন্ধ কৰিব পাৰে।

(২) ৰাষ্ট্ৰীয় বিপৰ্য্যয় প্ৰশমন নিধি, ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ দ্বাৰা প্ৰযোজ্য হ'ব।

ৰাজ্য চৰকাৰৰ দ্বাৰা নিধিৰ স্থাপন।

৪৮। (১) ৰাজ্য চৰকাৰে ৰাজ্যিক প্ৰাধিকাৰ আৰু জিলা প্ৰাধিকাৰ গঠনৰ বাবে অধিসূচনা জাৰি কৰাৰ পিচত শীঘ্ৰে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, নিম্নলিখিত নিধি গঠন কৰিব, অৰ্থাৎ—

(ক) ৰাজ্যিক বিপৰ্য্যয় সাহায্য নিধি নামেৰে এটা নিধি;

(খ) জিলা বিপৰ্য্যয় সাহায্য নিধি নামেৰে এটা নিধি;

(গ) ৰাজ্যিক বিপৰ্য্যয় প্ৰশমন নিধি নামেৰে এটা নিধি

(ঘ) জিলা বিপৰ্য্যয় সাহায্য নিধি নামেৰে এটা নিধি;

(২) ৰাজ্য চৰকাৰে, সুনিশ্চিত কৰিব যে স্থাপিত নিধিবোৰ—

(i) উপ-ধাৰা (১)ৰ খণ্ড (ক)ৰ অধীনত ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিলৈ সহজলভ্য হ'ব;

(ii) উপ-ধাৰা (১)ৰ খণ্ড (গ)ৰ অধীনত ৰাজ্যিক প্ৰাধিকাৰলৈ সহজলভ্য হ'ব।

(iii) উপ-ধাৰা (১)ৰ খণ্ড (খ) আৰু (ঘ)ৰ অধীনত স্থাপিত নিধি জিলা প্ৰাধিকাৰলৈ সহজলভ্য হ'ব।

মন্ত্ৰালয় আৰু বিভাগৰ দ্বাৰা নিধিৰ আবন্টন।

৪৯। (১) ভাৰত চৰকাৰৰ প্ৰত্যেক মন্ত্ৰালয় বা বিভাগে, ইয়াৰ বিপৰ্য্যয় ব্যৱস্থাপন পৰিকল্পনাত বৰ্ণিত কাৰ্য্যকলাপ আৰু কাৰ্য্যক্ৰম সম্পন্ন কৰাৰ প্ৰয়োজনাৰ্থে, নিধিৰ বাবে ইয়াৰ বাৰ্ষিক বাজেটত, উপবন্ধ প্ৰণয়ন কৰিব।

(২) উপ-ধাৰা (১)ৰ উপৱন্ধাৱলী ৰাজ্য চৰকাৰৰ বিভাগলৈ যথাৱশ্যক পৰিৱৰ্তনসহ, প্ৰযোজ্য হ'ব।

## বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

জৰুৰীকালীন সংগ্ৰহ আৰু হিচাপ পৰীক্ষা।

৫০। য'ত কোনো ভীতি প্ৰদৰ্শিত বিপৰ্যয় অৱস্থা বা বিপৰ্যয়ৰ কাৰণৰ দ্বাৰা, ৰাষ্ট্ৰীয় প্ৰাধিকাৰ বা ৰাজ্যিক প্ৰাধিকাৰ বা জিলা প্ৰাধিকাৰ সন্তুষ্ট হয় যে ব্যৱস্থা বা সামগ্ৰীৰ শীঘ্ৰ সংগ্ৰহ বা উৎসৰ শীঘ্ৰ প্ৰয়োগ উদ্ধাৰ বা সাহায্যৰ বাবে আৱশ্যক—

(ক) ই সংশ্লিষ্ট বিভাগ বা প্ৰাধিকাৰক, জৰুৰীকালীন সংগ্ৰহ কৰিবলৈ প্ৰাধিকৃত কৰিব পাৰে আৰু এনে ক্ষেত্ৰত, নিবিদা আহ্বান অপেক্ষা কৰি কৰা মানক প্ৰক্ৰিয়াক অধিত্যাগ হোৱা বুলি গণ্য কৰা হ'ব;

(খ) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাজ্যিক প্ৰাধিকাৰ বা যথাস্থিতি, জিলা প্ৰাধিকাৰৰ দ্বাৰা প্ৰাধিকৃত নিয়ন্ত্ৰক পদাধিকাৰীৰ দ্বাৰা উপবন্ধ বা সামগ্ৰীৰ ব্যৱহাৰৰ বিষয়ে প্ৰমাণপত্ৰখন, জৰুৰী অৱস্থাৰ হিচাপ লিখা, এনে ব্যৱস্থা বা সামগ্ৰীৰ সংগ্ৰহৰ প্ৰয়োজনাৰ্থে, এখন বৈধ দস্তাবেজ বা প্ৰত্যায়ন বুলি গণ্য কৰা হ'ব।

### অধ্যায়- X
### অপৰাধ আৰু দণ্ড

বাধা, ইত্যাদিৰ বাবে দণ্ড।

৫১। যিজনেই কোনো যুক্তিসংগত কাৰণ নোহোৱাকৈ—

(ক) কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো পদাধিকাৰী বা কৰ্ম্মচাৰীক বা ৰাষ্ট্ৰীয় প্ৰাধিকাৰ বা ৰাজ্যিক প্ৰাধিকাৰ বা জিলা প্ৰাধিকাৰে প্ৰাধিকৃত কৰা ব্যক্তিক এই অধিনিয়মৰ অধীনত তেওঁৰ কৃত্যৰ নিৰ্বহনত, বাধা দিয়ে; বা

(খ) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা জিলা প্ৰাধিকাৰৰ দ্বাৰা বা হকে দিয়া কোনো নিৰ্দ্দেশ পালন কৰিবলৈ অস্বীকাৰ কৰে;

তেওঁ দোষী সাব্যস্ত কৰণত এটা কাৰাবাসেৰে যাৰ অৱধি এবছৰলৈ বিস্তৃত হ'ব পাৰে বা জৰিমণাৰে বা উভয়েৰে দণ্ডনীয় হ'ব আৰু যদিহে এনে বাধা বা নিৰ্দেশনা পালনৰ অস্বীকাৰ কৰণত জীৱনৰ হানি বা আসন্ন বিপদৰ আগমন হয়, তেন্তে দোষী সাব্যস্তকৰণত, কাৰাবাসেৰে, যাৰ অৱধি দুবছৰলৈ বিস্তৃত হ'ব পাৰে দণ্ডণীয় হ'ব।

মিথ্যা দাবীৰ বাবে দণ্ড।

৫২। যিজনেই জানি-শুনি, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাজ্যিক প্ৰাধিকাৰ বা জিলা প্ৰাধিকাৰৰ কোনো পদাধিকাৰীৰ পৰা বিপৰ্য্যয়ৰ ফলস্বৰূপে হোৱা কোনো সাহায্য, সহায়তা, মেৰামতি, পুনৰ নিৰ্মাণ বা আন লাভালাভ প্ৰাপ্তিৰ বাবে, এটা দাবী কৰে, যিটো তেওঁ মিছা বুলি জানে বা মিছা বুলি বিশ্বাস কৰিবলৈ কাৰণ আছে, তেওঁ দোষী সাব্যস্তকৰণত, এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰলৈ বিস্তৃত হ'ব পাৰে বা জৰিমনাৰেও দণ্ডনীয় হ'ব।

ধনৰাশি বা সামগ্ৰী ইত্যাদিৰ অপপ্ৰয়োগৰ বাবে দণ্ড।

৫৩। যিজনেই, কোনো ভীতি প্ৰদৰ্শিত বিপৰ্য্যয় অৱস্থা বা বিপৰ্য্যয়ত সাহায্য উপবন্ধ কৰাৰ বাবে বুজোৱা, কোনো ধনৰাশি বা সামগ্ৰীত ন্যস্ত হৈ বা অন্যথা কোনো ধনৰাশি বা সামগ্ৰীৰ অভিৰক্ষাত বা কৰ্ত্তব্যত থাকি, তেওঁৰ নিজৰ ব্যৱহাৰ বা বিক্ৰীৰ বাবে এনে ধনৰাশি বা সামগ্ৰী বা তাৰ কোনো ভাগৰ অপপ্ৰয়োগ বা বিনিয়োজন কৰে বা ইচ্ছাকৃতভাৱে কোনে আন ব্যক্তিক এনে কৰিবলৈ বাধ্য কৰায়, তেওঁ দোষী সাব্যস্তকৰণত, এটা কাৰাবাসেৰে, যাৰ অৱধি দুবছৰলৈ বিস্তৃত হ'ব পাৰে, আৰু জৰিমনাৰেও দণ্ডনীয় হ'ব।

মিথ্যা সতৰ্কবাণীৰ বাবে দণ্ড।

৫৪। যিয়ে, বিপৰ্য্যয় বা ইয়াৰ প্ৰাবল্যতা বা বিশালতাৰ বিষয়ে এটা মিছা সংকেত বা সতৰ্কবাণী দিয়ে বা প্ৰচাৰ কৰে, যাৰ দ্বাৰা আতংকৰ সৃষ্টি হয়, তেওঁ দোষী সাব্যস্তকৰণত এটা কাৰাবাসেৰে, যাৰ অৱধি এবছৰলৈ বিস্তৃত হ'ব পাৰে বা জৰিমণাৰেও দণ্ডনীয় হ'ব।

চৰকাৰৰ বিভাগবোৰৰ দ্বাৰা কৰা অপৰাধ।

৫৫। (১) য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ, চৰকাৰৰ কোনো বিভাগৰ দ্বাৰা সংঘটিত কৰা হয়, বিভাগৰ মুৰব্বীজন, অপৰাধটোৰ বাবে দোষী বুলি গণ্য হ'ব আৰু বিৰুদ্ধে কাৰ্য্যবাহীৰ বাবে অগ্রসৰ হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব যদিহে তেওঁ প্ৰমাণ নকৰে যে অপৰাধটো তেওঁৰ অজ্ঞাতে সংঘটিত হৈছিল বা তেওঁ এনে অপৰাধ সংঘটন কৰণৰ বাবে সকলো সম্যক তৎপৰতা গ্ৰহণ কৰিছিল।

(২) উপ-ধাৰা (১)ত কোনো কথা থকা স্বত্বেও, য'ত এই অধিনিয়মৰ অধীনৰ এটা অপৰাধ, চৰকাৰৰ এটা বিভাগৰ দ্বাৰা সংঘটিত কৰা হয় আৰু এইটো প্ৰমাণিত হয় যে অপৰাধটো, বিভাগৰ মুৰব্বীৰ ব্যতিৰেকে কোনো পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিত বা ইয়াৰ পক্ষত কোনো অৱহেলাত সংঘটিত হোৱা বুলি মানি লোৱা হয়, তেনে পদাধিকাৰীজন, সেই অপৰাধটোৰ বাবে দোষী বুলি গণ্য হ'ব আৰু বিৰুদ্ধ কাৰ্য্যবাহীৰ বাবে অগ্রসৰ হ'বলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব।

কৰ্ত্তব্যত পদাধিকাৰীৰ অসফলতা বা এই অধিনিয়মৰ উপৱন্ধাৱলীৰ উলঙ্ঘনত তেওঁৰ মৌন সন্মতি।

৫৬। কোনো পদাধিকাৰী, যাৰ ওপৰত, এই অধিনিয়মৰ দ্বাৰা বা অধীনত কোনো কৰ্ত্তব্য আৰোপিত কৰা হয় আৰু যিয়ে তেওঁৰ পদৰ কৰ্ত্তব্যৰ সম্পাদন নকৰে বা কৰিবলৈ অস্বীকাৰ কৰে বা প্ৰত্যাহাৰ কৰে, যদিহে তেওঁ তেওঁৰ জ্যেষ্ঠ পদাধিকাৰীৰ শীঘ্ৰে লিখিত অনুমতি লাভ কৰা নাই বা এনে কৰাৰ বাবে আন বিধিপূৰ্ণ কাৰণ নাই, তেওঁ এটা কাৰাবাসেৰে, যাৰ অৱধি এবছৰলৈ বিস্তৃত হ'ব পাৰে বা জৰিমনাৰে দণ্ডণীয় হ'ব।

অভিগ্রহণৰ সম্বন্ধত কোনো আদেশৰ উলঙ্ঘনৰ বাবে দণ্ড।

৫৭। যদিহে কোনো ব্যক্তিয়ে, ধাৰা ৬৫ৰ অধীনত দিয়া কোনো আদেশ উলঙ্ঘন কৰে তেওঁ এটা কাৰাবাসেৰে, যাৰ অৱধি এবছৰলৈ বিস্তৃত হ'ব পাৰে বা জৰিমনাৰে বা উভয়েৰে, দণ্ডনীয় হ'ব।

কোম্পানীৰ দ্বাৰা কৰা অপৰাধ।

৫৮। (১) য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ, এটা কোম্পানী বা নিগমিত নিকায়ৰ দ্বাৰা সংঘটিত কৰা হয়, অপৰাধটোৰ সংঘটনৰ সময়ত, কোম্পানীৰ ব্যৱসায়ৰ পৰিচালনা আৰু কোম্পানীৰ বাবে কোম্পানীৰ কাৰ্য্যভাৰ আৰু দায়িত্বত থকা, প্ৰত্যেক ব্যক্তিক উলংঘনৰ বাবে দোষী বুলি গণ্য কৰা হ'ব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহীৰ বাবে দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'বঃ

পৰন্তু এই উপ-ধাৰাৰ কোনো কথাই, এই অধিনিয়মত উপবন্ধিত কোনো দণ্ডলৈ কোনো ব্যক্তিক দায়ী নকৰিব, যদিহে তেওঁ প্ৰমাণ কৰে যে অপৰাধটো, তেওঁৰ অজ্ঞাতে সংঘটিত কৰা হৈছিল বা এনে অপৰাধ সংঘটন প্ৰতিৰোধ কৰিবলৈ তেওঁ সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) উপ-ধাৰা (১)ত কোনো কথা থকা স্বত্বেও, য'ত এটা অপৰাধ, এই অধিনিয়মৰ অধীনত, এটা কোম্পানীৰ দ্বাৰা সংঘটিত হয়, আৰু এইটো প্ৰমাণিত হয় যে অপৰাধটো, কোম্পানীৰ কোনো নিৰ্দ্দেশক, পৰিচালক, সচিব বা আন পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিত বা তেওঁলোকৰ পক্ষত কোনো অৱহেলাৰ বাবে, সংঘটিত হৈছে, তেন্তে তেনে নিৰ্দ্দেশক, পৰিচালক, সচিব বা আন পদাধিকাৰী সেই অপৰাধটোৰ বাবে দোষী বুলি গণ্য হ'ব আৰু বিৰুদ্ধে কাৰ্য্যবাহীৰ বাবে দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব।

**স্পষ্টীকৰণ**--- এই ধাৰাৰ প্ৰয়োজনাৰ্থে------

(ক) "কোম্পানী" মানে কোনো নিগমিত নিকায় আৰু ই ফাৰ্ম বা ব্যক্তিৰ আন সংগঠনক অন্তৰ্ভুক্ত কৰে; আৰু

(খ) এখন ফাৰ্মৰ সম্বন্ধত "নিৰ্দ্দেশক" মানে ফাৰ্মৰ এজন ভাগীদাৰ।

## বিপৰ্য্যয় ব্যৱস্থাপন অধিনিয়ম, ২০০৫

অভিযোজনৰ পূৰ্ব সংমোদন।

৫৯। ধাৰা ৫৫ আৰু ৫৬ৰ অধীনত দণ্ডনীয় অপৰাধৰ বাবে কোনো অভিযোজন এনে চৰকাৰে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰ বা এইমৰ্ম্মে প্ৰাধিকৃত কোনো পদাধিকাৰীৰ পূৰ্ব সংমোদন ব্যতিৰেকে, ৰুজু কৰা নহ'ব।

অপৰাধৰ সংজ্ঞান।

৬০। কোনো ন্যায়ালয়ে, নিম্নলিখিতসকলৰ দ্বাৰা দিয়া এটা অভিযোগৰ ব্যতিৰেকে, এই অধিনিয়মৰ অধীনত এটা অপৰাধৰ সংজ্ঞান নল'ব—

(ক) ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাজ্যিক প্ৰাধিকাৰ, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, জিলা প্ৰাধিকাৰ বা সেই প্ৰাধিকাৰ বা যথাস্থিতি, চৰকাৰৰ দ্বাৰা এইমৰ্ম্মে প্ৰাধিকৃত কোনো আন প্ৰাধিকাৰী বা পদাধিকাৰী, বা

(খ) কোনো ব্যক্তি, যিজনে বিহিত ৰীতিত, অভিকথিত অপৰাধটোৰ ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাজ্যিক প্ৰাধিকাৰ, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, জিলা প্ৰাধিকাৰ বা পূৰ্বোক্ত ৰূপে প্ৰাধিকৃত কোনো আন প্ৰাধিকাৰী বা পদাধিকাৰীলৈ অভিযোগ কৰাৰ অভিপ্ৰায় কৰি ত্ৰিশতকৈ কম নোহোৱা দিনত এখন জাননী দিছে।

### অধ্যায়-IX
### বিবিধ

বিভেদৰ বিৰুদ্ধে নিষেধ।

৬১। যেতিয়া বিপৰ্য্যয়ৰ ভুক্তভোগীলৈ ক্ষতিপূৰণ আৰু সাহায্য উপবন্ধিত কৰি থকা হয়, লিংগ, জাতি, সম্প্ৰদায়, কুল বা ধৰ্মৰ আধাৰত কোনো বিভেদ নচলিব।

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ জাৰি কৰিবলৈ ক্ষমতা।

৬২। তৎসময় বলৰৎ কোনো আন বিধিত কোনো কথা থকা স্বত্ত্বেও, ভাৰত চৰকাৰৰ মন্ত্ৰালয় আৰু বিভাগ, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি বা ৰাজ্য চৰকাৰ, ৰাজ্যিক প্ৰাধিকাৰ, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি পৰিনিয়ত নিকায় বা ইয়াৰ পদাধিকাৰী বা যথাস্থিতি, কৰ্মচাৰীক বিপৰ্য্যয় ব্যৱস্থাপনত সুচল আৰু সহায়তা কৰিবলৈ, লিখিতভাৱে নিৰ্দ্দেশ জাৰি কৰাটো কেন্দ্ৰীয় চৰকাৰৰ বাবে বিধিপূৰ্ণ হ'ব আৰু এনে মন্ত্ৰালয় বা বিভাগ বা চৰকাৰ বা প্ৰাধিকাৰ, কাৰ্য্যনিৰ্বাহক সমিতি, পৰিনিয়ত নিকায়, পদাধিকাৰী বা কৰ্মচাৰীয়ে এনে নিৰ্দ্দেশ পালন কৰিবলৈ বাধ্য হ'ব।

উদ্ধাৰ কাৰ্য্যৰ বাবে ক্ষমতাক সহজলভ্য কৰা হ'ব।

৬৩। সংঘ বা এখন ৰাজ্যৰ কোনো পদাধিকাৰী বা প্ৰাধিকাৰীয়ে, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, কোনো ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা জিলা প্ৰাধিকাৰ বা এইমৰ্ম্মে এনে প্ৰাধিকাৰ বা সমিতিৰ দ্বাৰা প্ৰাধিকৃত কোনো ব্যক্তিৰ দ্বাৰা যেতিয়া অনুৰোধ কৰা হয়, তেতিয়া, এনেদৰে অনুৰোধ কৰা সেই সমিতি বা প্ৰাধিকাৰ বা ব্যক্তিক বিপৰ্য্যয় প্ৰতিৰোধ বা প্ৰশমন বা উদ্ধাৰ বা সাহায্য সম্পৰ্কত থকা কৃত্যসমূহৰ যিকোনোটো সম্পাদন কৰিবলৈ, এনে পদাধিকাৰী আৰু কৰ্মচাৰীক উপলব্ধ কৰিব।

কেতবোৰ পৰিস্থিতিত নিয়ম, ইত্যাদি প্ৰণয়ন বা সংশোধন কৰা।

৬৪। এই অধিনিয়মৰ উপৰন্ধাৱলীৰ সাপেক্ষে, যদিহে ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা যথাস্থিতি জিলা প্ৰাধিকাৰৰ, এইটো প্ৰতীত হয় যে কোনো নিয়মৰ উপৰন্ধাৱলী, বিনিয়ম, অধিসূচনা, নিৰ্দ্দেশাৱলী, অনুদেশ, আদেশ, আঁচনি বা যথাস্থিতি উপ-বিধি বিপৰ্য্যয়ৰ প্ৰতিৰোধ বা ইয়াৰ হ্ৰাসকৰণৰ প্ৰয়োজনাৰ্থে প্ৰণয়ন বা সংশোধিত হ'বলৈ অপেক্ষিত কৰা হয় বা সেই প্ৰয়োজনাৰ্থে এনে নিয়ম, বিনিয়ম, অধিসূচনা, নিৰ্দ্দেশাৱলী, অনুদেশ, আদেশ, আঁচনি বা যথাস্থিতি, উপ-বিধিৰ সংশোধন অপেক্ষা কৰিব পাৰে আৰু সমুচিত বিভাগ আৰু প্ৰাধিকাৰে অপেক্ষাকৰণবোৰ অনুপালন কৰিবলৈ আৱশ্যকীয় ব্যৱস্থা ল'ব।

উদ্ধাৰ কাৰ্য্যৰ বাবে উৎস, সা-সুবিধা, যান-বাহন ইত্যাদিৰ অধিগ্ৰহণৰ ক্ষমতা।

৬৫। (১) যদিহে এই মৰ্ম্মে ইয়াৰ দ্বাৰা বিহিত কৰা ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা জিলা প্ৰাধিকাৰ বা কোনো পদাধিকাৰীৰ এইটো প্ৰতীত হয় যে—

(ক) কোনো প্ৰাধিকাৰী বা ব্যক্তিক শীঘ্ৰ সাহায্যৰ প্ৰয়োজনাৰ্থে কোনো উৎসৰ দৰকাৰ হয়;

(খ) কোনো প্ৰাঙ্গণ উদ্ধাৰ কাৰ্য্যৰ প্ৰয়োজনাৰ্থে দৰকাৰ হোৱাৰ হয় বা দৰকাৰ সম্ভাৱনা থাকে; বা

(গ) কোনো যান-বাহন, বিপৰ্য্যয় পীড়িত অঞ্চলৰ পৰা অৱলম্বন পৰিবহন বা প্ৰভাৱিত অঞ্চললৈ পৰিবহন বা উদ্ধাৰ, পুনৰ সংস্থাপন বা পুনৰ নিৰ্মাণৰ সম্বন্ধত পৰিবহণৰ প্ৰয়োজনাৰ্থে আৱশ্যক হোৱা বা আৱশ্যক হ'বলৈ সম্ভাৱনা থাকে;

তেন্তে এনে প্ৰাধিকাৰীয়ে লিখিতভাৱে আদেশৰ দ্বাৰা এনে অৱলম্বন বা প্ৰাঙ্গন বা যথাস্থিতি এনে যান-বাহন অধিগ্ৰহণ কৰিব পাৰে আৰু এনে অধিগ্ৰহণৰ সম্পৰ্কত আৱশ্যক বা সমীচীন বুলি ইয়ালৈ প্ৰতীত হোৱাত এনে অতিৰিক্ত আদেশ দিব পাৰে।

(২) যেতিয়াই কোনো অৱলম্বন, প্ৰাঙ্গন বা যান-বাহন উপ-ধাৰা (১)ৰ অধীনত অধিগ্ৰহণ কৰা হয়, এনে অধিগ্ৰহণৰ অৱধি, এনে কালৰ বাহিৰত নহ'ব, যাৰ বাবে এনে অৱলম্বন, প্ৰাঙ্গন বা যান-বাহন, সেই উপ-ধাৰাত উল্লিখিত উদ্দেশ্যসমূহৰ যি কোনোটোৰ বাবে অপেক্ষিত কৰা হয়।

(৩) এই ধাৰাত—

(ক) "সম্পদা"ই মানৱ আৰু ভৌতিক সম্পদা অন্তৰ্ভুক্ত কৰে;

(খ) "সেৱা"ই সা-সুবিধা অন্তৰ্ভুক্ত কৰে;

(গ) "প্ৰাঙ্গণ" মানে কোনো ভূমি, ভৱন বা এটা ভৱনৰ ভাগ আৰু ই পঁজাঘৰ, চালি বা আন নিৰ্মাণ বা ইয়াৰ কোনো ভাগক অন্তৰ্ভুক্ত কৰে;

(ঘ) "যান-বাহন" মানে কোনো যান্ত্ৰিক ক্ষমতাৰ অন্যথাৰ দ্বাৰা চালিত হওঁক বা নহওঁক, পৰিবহণৰ প্ৰয়োজনাৰ্থে ব্যৱহৃত বা ব্যৱহৃত হ'বলৈ সমৰ্থৱান কোনো বাহন।

ক্ষতিপূৰণৰ আদায়। ৬৬। (১) যেতিয়া ধাৰা ৬৫ৰ উপ-ধাৰা (১)ত নিৰ্দ্দেশিত কোনো সমিতি, প্ৰাধিকাৰী বা পদাধিকাৰীয়ে, সেই ধাৰাৰ অনুসৰণত কোনো প্ৰাঙ্গণ অধিগ্ৰহণ কৰে, স্বাৰ্থজড়িত এনে ব্যক্তিলৈ ক্ষতিপূৰণ আদায় দিয়া হ'ব, যাৰ পৰিমাণ নিম্নলিখিতসমূহক বিবেচনাত ৰাখি অৱধাৰিত কৰা হ'ব; অৰ্থাৎ—

(i) প্ৰাঙ্গণৰ ক্ষেত্ৰত দেয় ভাড়া বা যদিহে কোনো ভাত্তা এনেদৰে দেয় হোৱা নাই, সেই অঞ্চলত সদৃশ প্ৰাঙ্গণৰ বাবে দেয় ভাড়া;

(ii) যদিহে চৌহদৰ অধিগ্ৰহণৰ ফলত স্বাৰ্থজড়িত ব্যক্তিজনক, তেওঁৰ বাসস্থান বা ব্যৱসায়ৰ স্থান পৰিৱৰ্ত্তন কৰিবলৈ বাধ্য কৰা হয়, তেন্তে এনে পৰিৱৰ্ত্তনৰ সুসঙ্গত হোৱা যুক্তিসঙ্গত ব্যয় (যদি কিবা থাকে)ঃ

পৰন্তু য'ত এনেদৰে অৱধাৰিত কৰা ক্ষতিপূৰণৰ ধনৰাশিৰ দ্বাৰা ক্ষোভিত হোৱা কোনো স্বাৰ্থজড়িত ব্যক্তিয়ে, কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰলৈ, ত্ৰিশ দিনৰ ভিতৰত এজন মধ্যস্থক লৈ বিষয়টো নিৰ্দ্দেশিত কৰি এখন আবেদন কৰে, তেন্তে দেয় ক্ষতিপূৰণৰ ধনৰাশি, এনে হ'ব, যেনেদৰে কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰে এইমৰ্ম্মে নিযুক্ত কৰা এজন মধ্যস্থকে অৱধাৰিত কৰেঃ

উপৰন্তু য'ত ক্ষতিপূৰণ গ্ৰহণ কৰিবলৈ স্বত্ব থকাৰ বিষয়ে বা ক্ষতিপূৰণৰ ধনৰাশিৰ অভিভাজনৰ বিষয়ে কোনো বিবাদ হয়, এইটো কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ দ্বাৰা, অৱধাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰবা যথাস্থিতি, ৰাজ্য চৰকাৰৰ দ্বাৰা এইমৰ্ম্মে নিযুক্ত কৰা এজন মধ্যস্থকলৈ নিৰ্দ্দেশিত কৰিব আৰু এনে মধ্যস্থকৰ বিনিশ্চিয়ৰ অনুসৰণত অৱধাৰিত কৰা হ'ব।

**স্পষ্টীকৰণ ঃ-** এই উপ-ধাৰাত অভিব্যক্তি "স্বাৰ্থজড়িত ব্যক্তি" মানে এজন ব্যক্তি যিজন অধিগ্ৰহণৰ অব্যৱহৃত পূৰ্বে ধাৰা ৬৫ৰ অধীনত অধিগৃহীত চৌহদৰ প্ৰকৃত দখলত আছিল বা য'ত কোনো ব্যক্তি, এনে প্ৰকৃত দখলত নাছিল, এনে চৌহদৰ মালিক।

(২) যেতিয়াই ধাৰা ৬৫ৰ উপ-ধাৰা (১)ত নিৰ্দ্দেশিত কোনো সমিতি, প্ৰাধিকাৰী বা পদাধিকাৰীয়ে সেই ধাৰাৰ অনুসৰণত কোনো যান-বাহন অধিগ্ৰহণ কৰে, কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি, ৰাজ্য চৰকাৰে এনে বাহনৰ ভাড়াৰ বাবে, সেই অঞ্চলত বলৱৎ ভাড়া বা দামৰ আধাৰৰ ওপৰত ভিত্তি কৰি সেইবিষয়ে হোৱা ক্ষতিপূৰণৰ ধনৰাশি মালিকক আদায় দিয়া হ'ব ঃ

পৰন্তু য'ত, এনেদৰে অৱধাৰিত কৰা ক্ষতিপূৰণৰ ধনৰাশিৰ দ্বাৰা ক্ষোভিত হোৱা এনে বাহনৰ মালিকে, কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰলৈ, এটা বিহিত সময়ৰ ভিতৰত, বিষয়টো এজন মধ্যস্থক লৈ নিৰ্দ্দেশিত কৰিবলৈ এখন আবেদন কৰে, দিবলগীয়া ক্ষতিপূৰণৰ ধনৰাশি, এনেধৰণৰ হ'ব যেনেদৰে কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰে এইমৰ্ম্মে নিযুক্ত কৰা এজন মধ্যস্থকে অৱধাৰিত কৰে ঃ

উপৰন্তু য'ত অধিগ্ৰহণৰ অব্যৱহৃত পূৰ্বে, যান-বাহন বা জলযান, মালিকৰ ব্যতিৰেকে কোনো ব্যক্তিৰ দখলত এটা ভাড়া ক্ৰয়ৰ চুক্তিৰ বলত আছিল, অধিগ্ৰহণৰ ক্ষেত্ৰত দেয় মুঠ ক্ষতিপূৰণ ৰূপে এই উপ-ধাৰাৰ অধীনত অৱধাৰিত কৰা ধনৰাশি, তেওঁলোকৰ সন্মতিত এনে ৰীতিত সেই ব্যক্তি আৰু মালিকৰ মাজত বিভাজিত কৰা হ'ব, আৰু এনে চুক্তিৰ ক্ৰতীত, কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি, ৰাজ্য চৰকাৰে এইমৰ্ম্মে নিযুক্ত কৰা এজন মধ্যস্থই এনে ৰীতিত বিনিশ্চয় কৰিব পাৰে।

**সতৰ্কবাণী, ইত্যাদিৰ যোগাযোগৰ বাবে মাধ্যমক নিৰ্দ্দেশ দিয়া।**

৬৭। ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাজ্যিক প্ৰাধিকাৰ বা এখন জিলা প্ৰাধিকাৰে, কোনো ভীতি প্ৰদৰ্শিত বিপৰ্যয় অৱস্থা বা বিপৰ্যয়ৰ সম্বন্ধে কোনো সতৰ্কবাণী বা উপদেশবাণী কাৰ্য্যকৰী কৰিবলৈ সহজলভ্য হোৱা কোনো দৃশ্য বা দৃশ্য-শ্ৰব্য মাধ্যম বা যোগাযোগৰ এনে আন ব্যৱস্থা নিয়ন্ত্ৰণত কোনো প্ৰাধিকাৰী বা ব্যক্তিক, নিৰ্দ্দেশ দিবলৈ চৰকাৰক চুপাৰিছ কৰিব পাৰে আৰু এনেদৰে মনোনীত কৰা উক্ত যোগাযোগৰ ব্যৱস্থা আৰু মাধ্যমে এনে নিৰ্দ্দেশ পালন কৰিব।

**আদেশ বা বিনিশ্চয়ৰ অধিপ্ৰমাণ।**

৬৮। ৰাষ্ট্ৰীয় প্ৰাধিকাৰী বা ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্যিক প্ৰাধিকাৰ বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা জিল্লা প্ৰাধিকাৰৰ প্ৰত্যেক আদেশ বা ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ এনে পদাধিকাৰী বা ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা জিলা প্ৰাধিকাৰৰ দ্বাৰা অধিপ্ৰমাণিত কৰা হ'ব, যেনেদৰে ইয়াৰ দ্বাৰা এইমৰ্ম্মে প্ৰাধিকৃত কৰা হৈছে।

**ক্ষমতাৰ আৰোপ।**

৬৯। ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি বা যথাস্থিতি ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে, লিখিতভাৱে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে চৰ্ত্তাৱলী বা পৰিসীমাৰ সাপেক্ষে, যদি কিবা থাকে, অধ্যক্ষ বা কোনো আন সদস্যলৈ বা কোনো পদাধিকাৰীলৈ ই আৱশ্যক বুলি গণ্য কৰা দৰে, এই অধিনিয়মৰ অধীনত ইয়াৰ এনে ক্ষমতা আৰু কৃত্য আৰোপ কৰিব পাৰে।

**বাৰ্ষিক প্ৰতিবেদন।**

৭০। (১) ৰাষ্ট্ৰীয় প্ৰাধিকাৰে, প্ৰত্যেক বৰ্ষত এবাৰকৈ, বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু এনে সময়ত, পূৰ্ববৰ্ষত ইয়াৰ কাৰ্য্যকলাপৰ এটা প্ৰকৃত আৰু সম্পূৰ্ণ হিচাপ দি এখন বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু তাৰ প্ৰতিলিপি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব আৰু সেই চৰকাৰে, ইয়াৰ গ্ৰহণৰ তাৰিখৰ পৰা এমাহৰ ভিতৰত সংসদৰ উভয় সদনত সেইবোৰ উত্থাপন কৰিবলৈ কাৰিত কৰিব।

(২) ৰাজ্যিক প্ৰাধিকাৰে, প্ৰত্যেক বৰ্ষত এবাৰকৈ, বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু এনে সময়ত পূৰ্ববৰ্ষত ইয়াৰ কাৰ্য্যকলাপৰ এটা প্ৰকৃত আৰু সম্পূৰ্ণ হিচাপ দি এখন বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু তাৰ প্ৰতিলিপি ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব আৰু সেই চৰকাৰে ৰাজ্যিক বিধান মণ্ডলৰ প্ৰত্যেক সদনত উত্থাপন কৰিবলৈ কাৰিত কৰিব য'ত ই দুটা সদনেৰে গঠিত হয় বা সেই সদনত য'ত এনে বিধানমণ্ডল এখন সদনেৰে গঠিত হয়।

ন্যায়ালয়ৰ অধিকাৰিতাৰ বাধা।

৭১। কোনো ন্যায়ালয়ৰ (উচ্চতম ন্যায়ালয়ৰ বা এখন উচ্চ ন্যায়ালয়ৰ ব্যতিৰেকে) এই অধিনিয়মৰ দ্বাৰা, ইয়াৰ কৃত্যসমূহৰ দ্বাৰা বা সম্পৰ্কে প্ৰদান কৰা কোনো ক্ষমতাৰ অনুসৰণত, কেন্দ্ৰীয় চৰকাৰ, ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাজ্য চৰকাৰ, ৰাজ্যিক প্ৰাধিকাৰ বা জিলা প্ৰাধিকাৰৰ দ্বাৰা কৰা কাৰ্য্যব্যৱস্থা লোৱা, প্ৰদান কৰা আদেশ, জাৰি কৰা নিৰ্দ্দেশ, অনুদেশ বা নিৰ্দ্দেশাৱলীৰ ক্ষেত্ৰত কোনো বাদ বা কাৰ্য্যবাহী চলাবলৈ, অধিকাৰিতা নাথাকিব।

অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব।

৭২। এই অধিনিয়মৰ উপবন্ধাৱলীৰ, এই অধিনিয়মৰ ব্যতিৰেকে কোনো আন বিধিৰ বলত প্ৰভাৱী হোৱা তৎসময় বলৱৎ কোনো আন বিধিত বা কোনো অনুদেশত কোনো অসঙ্গত কথা থকা স্বত্বেও, প্ৰভাৱ থাকিব।

সদ্‌বিশ্বাসত লোৱা কাৰ্য।

৭৩। কোনো বাদ বা অভিযোজন বা আন কাৰ্য্যবাহী, কেন্দ্ৰীয় চৰকাৰৰ বা ৰাষ্ট্ৰীয় প্ৰাধিকাৰ বা ৰাজ্য চৰকাৰ বা ৰাজ্যিক প্ৰাধিকাৰ বা জিলা প্ৰাধিকাৰ বা স্থানীয় প্ৰাধিকাৰ বা কেন্দ্ৰীয় চৰকাৰ বা ৰাষ্ট্ৰীয় প্ৰাধিকাৰ বা ৰাজ্য চৰকাৰ বা ৰাজ্যিক প্ৰাধিকাৰ বা জিলা প্ৰাধিকাৰ বা স্থানীয় প্ৰাধিকাৰৰ কোনো পদাধিকাৰী বা কৰ্ম্মচাৰী বা এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত নিয়ম বা বিনিময়ৰ উপৱন্ধাৱলীৰ অধীনত এনে প্ৰাধিকাৰ বা চৰকাৰ বা এনে পদাধিকাৰী বা কৰ্ম্মচাৰী বা এনে ব্যক্তিৰ দ্বাৰা সদ্‌বিশ্বাসত কৰা বা কৰা বুলি অৰ্থ কৰা বা কৰা বুলি অভিপ্ৰেত হোৱা কোনো কাৰ্য্যৰ ক্ষেত্ৰত এনে চৰকাৰ বা প্ৰাধিকাৰৰ হকে কাৰ্য্য কৰা কোনো ব্যক্তিৰ বিৰুদ্ধে নচলিব।

বিধিক প্ৰক্ৰিয়াৰ পৰা বিমুক্তি।

৭৪। কেন্দ্ৰীয় চৰকাৰ, ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্য চৰকাৰ, ৰাজ্যিক প্ৰাধিকাৰ, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা জিলা প্ৰাধিকাৰৰ পদাধিকাৰী আৰু কৰ্ম্মচাৰীয়ে তেওঁলোকৰ শাসকীয় সামৰ্থ্যত তেওঁলোকৰ দ্বাৰা যোগাযোগ বা প্ৰসাৰ কৰা কোনো আসন্ন বিপৰ্যয়ৰ ক্ষেত্ৰত কোনো সতৰ্কবাণী বা এনে যোগাযোগ বা প্ৰসাৰৰ অনুসৰণত তেওঁলোকৰ দ্বাৰা লোৱা কোনো কাৰ্য্য ব্যৱস্থা বা জাৰি কৰা নিৰ্দ্দেশৰ ক্ষেত্ৰত, বিধিক প্ৰক্ৰিয়াৰ পৰা বিমুক্ত হ'ব।

কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

৭৫। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত এই অধিনিয়মৰ উদ্দেশ্যবোৰ কাৰ্য্যান্বিত কৰাৰ বাবে নিয়ম প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে ঃ—

(ক) ধাৰা ৩ৰ উপ-ধাৰা (২)ৰ অধীনত ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ গঠন আৰু সদস্যৰ সংখ্যা আৰু উপ-ধাৰা (৪)ৰ অধীনত ৰাষ্ট্ৰীয় প্ৰাধিকাৰৰ সদস্যৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী;

(খ) ধাৰা ৭ৰ উপ-ধাৰা (২)ৰ অধীনত উপদেষ্টা সমিতিৰ সদস্যক দিবলগীয়া ভাত্তা;

(গ) ধাৰা ৮ৰ উপ-ধাৰা (৩)ৰ অধীনত ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ অধ্যক্ষৰ ক্ষমতা আৰু কৃত্য আৰু ধাৰা ৮ৰ উপ-ধাৰা (৪)ৰ অধীনত ইয়াৰ ক্ষমতাৰ কাৰ্যকৰী কৰণত আৰু ইয়াৰ কৃত্যৰ নিৰ্বহনত ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া;

(ঘ) ধাৰা ৯ৰ উপ-ধাৰা (৩)ৰ অধীনত ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা গঠিত উপ-সমিতিৰ সৈতে জড়িত ব্যক্তিসমূহক দিবলগীয়া ভাত্তা;

(ঙ) ধাৰা ৪২ৰ উপ-ধাৰা (২)ৰ অধীনত বিপৰ্যয় ব্যৱস্থাপনৰ ৰাষ্ট্ৰীয় সংস্থাৰ সদস্যৰ সংখ্যা, উপ-ধাৰা (৩)ৰ অধীনত সদস্যৰ পদাৱধি আৰু তেওঁলোকৰ মাজৰ পদৰিক্তি আৰু এনে পদৰিক্তিৰ পূৰণৰ ৰীতি আৰু উপ-ধাৰা (৪) ৰ অধীনত ৰাষ্ট্ৰীয় বিপৰ্যয় ব্যৱস্থাপন সংস্থাৰ শাসকীয় নিকায় গঠনৰ ৰীতি;

(চ) ধাৰা ৪৪ৰ উপ-ধাৰা (২)ৰ অধীনত অনুশাসনিক উপবন্ধক অন্তৰ্ভুক্ত কৰি বাহিনী গঠনৰ ৰীতি, বাহিনীৰ সদস্যৰ সেৱাৰ চৰ্ত্তাৱলী;

(ছ) ৰীতি যি ৰীতিত ধাৰা ৬০ৰ খণ্ড (খ)ৰ অধীনত ৰাষ্ট্ৰীয় প্ৰাধিকাৰ, ৰাজ্যিক প্ৰাধিকাৰ, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ বা আন প্ৰাধিকাৰী বা পদাধিকাৰীলৈ এটা অপৰাধৰ আৰু এটা অভিযোগ দিবলৈ সূচনা দিয়া হয়;

(জ) প্ৰপত্ৰ যিটোত আৰু সময় যি সময়ত ধাৰা ৭০ৰ অধীনত বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰা হ'ব;

(ঞ) অন্য কোনো বিষয় যিটো বিহিত হ'ব বা হ'ব পাৰে বা যিটোৰ ক্ষেত্ৰত নিয়মাৱলীৰ দ্বাৰা উপবন্ধ প্ৰণয়ন কৰিব পাৰি।

বিনিয়ম প্ৰণয়নৰ ক্ষমতা।

৭৬। (১) ৰাষ্ট্ৰীয় বিপৰ্যয় ব্যৱস্থাপন সংস্থাই কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদনসহ, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উদ্দেশ্যবোৰ কাৰ্য্যকৰী কৰিবলৈ এই অধিনিয়ম আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সুসঙ্গত বিনিয়ম প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে বিনিয়মে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে,অৰ্থাৎ ঃ—

(ক) শাসকীয় নিকায়ৰ দ্বাৰা কাৰ্য্যকৰী আৰু নিৰ্বহন কৰিবলগীয়া ক্ষমতা আৰু কৃত্য;

(খ) ক্ষমতাৰ কাৰ্য্যকৰীকৰণ আৰু ইয়াৰ কৃত্যৰ নিৰ্বহনত শাসকীয় নিকায়ৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া;

(গ) কোনো আন বিষয় যিটোৰ বাবে এই অধিনিয়মৰ অধীনত বিনিয়মাৱলীৰ দ্বাৰা প্ৰণয়ন কৰিব পাৰি।

সংসদত উত্থাপন কৰিবলগীয়া নিয়ম বা বিনিয়ম।

৭৭। এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম আৰু ৰাষ্ট্ৰীয় বিপৰ্যয় ব্যৱস্থাপন সংস্থাৰ দ্বাৰা প্ৰণীত প্ৰত্যেক বিনিয়ম, প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে সংসদত উত্থাপন কৰা হ'ব যেতিয়াই মুঠ ত্ৰিশ দিনৰ কালৰ বাবে অধিৰেশন চলি থাকে, যিটো এখন বা দুখন বা ততোধিক পৰৱৰ্ত্তী অধিৰেশনত ভুক্ত কৰা হয় আৰু পৰৱৰ্ত্তী বা ক্ৰমাগত অধিৰেশনসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়মত বা বিনিয়মত কোনো সালসলনি কৰিবাল সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম বা বিনিয়ম প্ৰণয়ন কৰিব নালাগে, তাৰ পিছত নিয়ম বা বিনিয়মৰ এনে সালসলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি, প্ৰভাৱহীন হ'ব, সেয়ে হ'লেও এনে সালসলনি বা ৰদকৰণে সেই নিয়ম বা বিনিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বৈধ্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

ৰাজ্য চৰকাৰৰ নিয়ম প্ৰণয়নৰ ক্ষমতা।

৭৮। (১) ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যান্বিত কৰিবলৈ নিয়ম প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

(ক) ধাৰা ১৪ৰ উপ-ধাৰা (২)ৰ অধীনত ৰাজ্যিক প্ৰাধিকাৰৰ গঠন আৰু সদস্যৰ সংখ্যা আৰু উপ-ধাৰা (৫)ৰ অধীনত ৰাজ্যিক প্ৰাধিকাৰৰ সদস্যৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী;

(খ) ধাৰা ১৭ৰ উপ-ধাৰা (২)ৰ অধীনত উপদেষ্টা সমিতিৰ সদস্যক দিবলগীয়া ভাত্তা;

(গ) ধাৰা ২০ৰ উপ-ধাৰা (৩)ৰ অধীনত ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ অধ্যক্ষৰ ক্ষমতা আৰু কৃত্য আৰু উপ-ধাৰা (৪)ৰ অধীনত ইয়াৰ ক্ষমতাৰ কাৰ্য্যকৰীকৰণত আৰু ইয়াৰ কৃত্যৰ নিৰ্বহনত ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া;

(ঘ) ধাৰা ২১ৰ উপ-ধাৰা (৩)ৰ অধীনত ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ দ্বাৰা গঠিত উপ-সমিতিৰ সৈতে জড়িত হোৱা ব্যক্তিক দিবলগীয়া ভাত্তা;

(ঙ) ধাৰা ২৫ৰ উপ-ধাৰা (২)ৰ অধীনত জিলা প্ৰাধিকাৰৰ গঠন আৰু সদস্য সংখ্যা আৰু উপ-ধাৰা (৩)ৰ অধীনত জিলা প্ৰাধিকাৰৰ মুখ্য কাৰ্য্যনিৰ্বাহক পদাধিকাৰীৰ দ্বাৰা কাৰ্যকৰী আৰু নিৰ্বহন কৰিবলগীয়া ক্ষমতা আৰু কৃত্য;

(চ) ধাৰা ২৮ৰ উপ-ধাৰা (৩)ৰ অধীনত এজন বিশেষজ্ঞৰূপে জিলা প্ৰাধিকাৰৰ দ্বাৰা গঠিত কোনো সমিতিৰ সৈতে জড়িত থকা ব্যক্তিক দিবলগীয়া ভাত্তা;

(ছ) অন্য কোনো বিষয় যিটো বিহিত কৰা হ'ব বা হ'ব পাৰে বা যিটোৰ ক্ষেত্ৰত, নিয়মাৱলীৰ দ্বাৰা উপবন্ধ প্ৰণয়ন কৰা হ'ব।

(৩) এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথা শীঘ্ৰে, ৰাজ্যিক বিধানমণ্ডলৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব, য'ত ই দুখন সদনেৰে গঠিত হয় বা য'ত এনে বিধানমণ্ডল, সেই সদনত এখন সদনেৰে গঠিত হয়।

জটিলতা দূৰীকৰণৰ ক্ষমতা।

৭৯। (১) যদিহে এই অধিনিয়মৰ উপৰন্ধাৱলী প্ৰভাৱী কৰাত কোনো জটিলতাৰ সৃষ্টি হয়, কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা জটিলতা দূৰীকৰণৰ বাবে, ইয়াৰ আৱশ্যক বা সমীচীন বুলি প্ৰতীত হোৱাত, এই অধিনিয়মৰ উপবন্ধৰ অসঙ্গত নোহোৱাকৈ আদেশ দিব পাৰেঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা দুবছৰৰ অৱসানৰ পিছত কোনো এনে আদেশ কৰা নহ'ব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ ইয়াক প্ৰণয়ন কৰাৰ পিছত যথা শীঘ্ৰে সংসদৰ প্ৰত্যেক সদন বা যথাস্থিতি বিধানমণ্ডলত উত্থাপিত কৰা হ'ব।

সচিব

ভাৰত চৰকাৰ

Secretary to the Government of India.

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী (ক্ষুদ্ৰ) ছপাশালত মুদ্ৰিত, দিশপুৰ, গুৱাহাটী-৬